সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...

Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ১০ সংখ্যা, ২১ ফাগুন , ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 10 * Date Of Publication - 6 March 2022 Rs.10.00/-

## মাজুলী উপ-নিৰ্বাচনৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী ভূবন গামৰ হৈ মুখ্যমন্ত্ৰীৰ প্ৰচাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- মাজুলী উপ-নিৰ্বাচনৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী ভূবন গামৰ হৈ মুখ্যমন্ত্ৰীয়ে চলোৱা প্ৰচাৰৰ দ্বিতীয়টো দিনত মাজুলীৰ ৰঙাচাহী গাঁও পঞ্চায়তৰ অধীনস্থ সোণাৰিআটী গাঁৱৰ খেলপথাৰত অনুষ্ঠিত এখন বিশাল নিৰ্বাচনী প্ৰচাৰ সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়- 'কথাৰে নহয়, কামেৰেহে আমাৰ পৰিচয়। বহু লোকে এতিয়া কৈ আছে আমাৰ প্ৰাৰ্থী ভুবন গামে কথা ক'ব নাজানে। মই ৰাইজক সুধিছোঁ, আপোনালোকক কামৰ মানুহ লাগে নে কথাৰ মানুহ লাগে? মোক আপোনালোকে মুখ্যমন্ত্ৰী পাতিছে। মই কাম নকৰাকৈ ডাঙৰ ডাঙৰ ভাষণ দি থাকিলে অসমৰ উন্নয়ন হ'ব জানো। মই কামেৰে অসমক আগুৱাই নিয়াৰ দৰে আমাৰ প্ৰাৰ্থী ভুবন গামেও কামেৰে মাজুলীক আগুৱাই নিব। আপোনালোকে উন্নয়নৰ পক্ষত থাকি আশীৰ্বাদ দিয়ক, মাজুলীৰ অপ্ৰতিৰোধ্য উন্নয়নৰ বাবে আমি আছো।' আমি সেই মানুহজনক ভোট দিব লাগে, যিজনে শাষকীয় দল বিজেপি, অগপ, গণশক্তি, ইউ পি পি এল দলৰ বিধায়কসকলৰ সৈতে মিলি চৰকাৰী পক্ষত বহিব পাৰে। আমি যদি ভুবন গামক নিদি মাজুলীৰ ঐতিহ্য নুবুজা, সংস্কৃতি নজনা প্ৰাৰ্থীক ভোট দিওঁ, তেন্তে তেওঁ কংগ্ৰেছৰ লগত, এ আই ইউ ডি এফৰ লগত বহিব লাগিব। আমি এফালে বহিম তেওঁ এফালে বহিব। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে বজাৰৰ পৰা যদি মতা গৰু কিনি আনি গাখীৰ দিব বুলি ভাবে লাভ হ'ব জানো? ভুবন গামক ভোট দিয়াৰ পাছত যদি বাস্তা খোজে, দলং খোজে তেওঁ দিব পাৰিব, কাৰণ ভুবন গাম গাখীৰ দিয়া গৰু। কিন্তু

( তিনিপৃষ্ঠাত চাওক)

## সম্পাদকীয়ঃ

### নিৰ্বাচনী বা



কালিলৈ অৰ্থাৎ ৬ মাৰ্চত পৌৰসভাৰ নিৰ্বাচন। অসমৰ ২৬ খন জিলাৰ ৮১টা পৌৰসভা এলেকাৰ ৮০টা পৌৰসভাত নিৰ্বাচন অনুষ্ঠিতহ'ব। এতিয়া ফাগুণৰ আকাশত কেৱল নিৰ্বাচনী বা। ৰাইজৰ পদুলিয়ে পদুলিয়ে আশিস বিচাৰি প্ৰতিদ্বন্দ্বীৰ ভিৰ দেখা গ'ল। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে উৎসৱমুখৰ পৰিবেশ। কোনোৱে যদি শোভাযাত্ৰাৰে ভোটাৰৰ মন আকৰ্ষিত কৰিছে আকৌ কোনোৱে গৃহস্থৰ ভৰিতে দীঘল দি পৰি আৰ্শীবাদ বিচাৰিছে। কিন্তু এতিয়া কথা হ'ল প্ৰাৰ্থী গৰাকীয়ে নিৰ্বাচনত জয় লাভ কৰাৰ পিছত এইটো মনত ৰখা উচিত যে আজি তেওঁৰ পদবীটোৰ বাবে তেখেত সদায় ৰাইজৰ ওচৰত কৃতজ্ঞ হোৱাৰ দৰকাৰ। তাৰোপৰি এখন চহৰৰ স্বচ্ছতাৰ ক্ষেত্ৰত এখন পৌৰসভাই বিশেষ ভূমিকা গ্ৰহণ কৰে। এজন নিৰ্বাচিত প্ৰাৰ্থীৰ ওপৰত জনসাধাৰণৰ বহুখিনি আস্থা জড়িত হৈ থাকে। বহুসময়ত বহু প্ৰাৰ্থীয়ে জয়লাভ কৰাৰ পাছত জনসাধাৰণক পিঠি দিয়া পৰিলক্ষিত হয়। কাৰণ বাৰিষা অহাৰ লগে লগে চহৰ বিলাকত কৃত্ৰিম বানপানীৰ সৃষ্টি হোৱা পৰিলক্ষিত হয়, তাৰ বাবে আমি জগৰীয়া কৰিম আমাৰ নিদিষ্ট ৱাৰ্ড মেম্বাৰ গৰাকীকেই কাৰণ তেওঁৰ সেইটো কৰ্তব্য, সময়ে সময়ে নলা নৰ্দমাবোৰ চাফা কৰা, পদ পথৰ ওপৰত দোকান, গৃহ নিৰ্মাণৰ অনুমতি প্ৰদান এই সকলোবোৰৰ ওপৰত পৌৰপতিজন যথেষ্ট সজাগ হোৱাটো দৰকাৰ। কাৰণ তাৰ ওপৰত চহৰখনৰ বহু খিনি কথা পৰিলক্ষিত হয়। তাৰোপৰি ডাষ্টবিনৰ ব্যৱহাৰৰ ক্ষেত্ৰতো পৌৰসভাই চকু দিয়াটো দৰকাৰ। এই সকলোখিনি সূচাৰুৰূপে পৰিচালনা কৰিব পৰাটো এখন পৌৰসভাৰ লক্ষ্য থাকিব লাগিব আৰু সকলোতকৈ ডাঙৰ কথা আমি ভোট সদায় বিবেকৰ ওপৰত প্ৰদান কৰাটো উচিত এই ক্ষেত্ৰত আবেগক প্ৰাধান্য দিয়াটো সচেতন ভোটাৰৰ নীতিৰ বাহিৰত।নিৰ্বাচনত কোনো কোনো জনসাধাৰণক দেখা যায় প্ৰতীক চিহ্নৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। কিন্তু আমি দেশৰ স্বাৰ্থৰ খাতিৰত আৰু আমাৰ ভৱিষ্যত প্ৰজন্মৰ খাতিৰত আমি সদায় প্ৰাৰ্থীগৰাকীৰ ইতিহাস জনাতো নিতান্তই দৰকাৰ। এইখিনিতে আমাৰ মুখ্যমন্ত্ৰী ডাক্টৰ হিমন্ত বিশ্ব শৰ্মাই পৌৰ নিৰ্বাচন বা পঞ্চায়ত নিৰ্বাচন প্ৰতীকবিহীন ভাৱে নিৰ্বাচন অনুষ্ঠিত কৰাৰ কথা চিন্তা কৰিছে। সঁচাকৈ যদি তেখেতৰ এই চিন্তা বাস্তৱায়িত হয় তেনেহ'লে আমাৰ ৰাজ্যই উন্নতি শিখৰ চুবলৈ সক্ষম হ'ব।

## অষ্ট্ৰেলিয়াৰ প্ৰাক্তন ক্ৰিকেটাৰ শ্বেন ৱাৰ্নৰ হৃদৰোগত আক্ৰান্ত হৈ মৃত্যু



ৰঙিলী বাৰ্ত্তাসেৱা- অষ্ট্ৰেলিয়াৰ প্ৰাক্তন লেগ স্পিনাৰ শ্বেন ৱাৰ্নৰ ৫২ বছৰ বয়সত মৃত্যু হৈছে। কিংবদন্তি ক্ৰিকেটাৰগৰাকীৰ হৃদৰোগত আক্ৰান্ত হৈ মৃত্যু হোৱা বুলি সন্দেহ কৰা হৈছে। থাইলেণ্ডৰ ক'হ ছামুইত ক্ৰিকেটাৰগৰাকীয়ে শেষ নিশ্বাস ত্যাগ কৰে বুলি শ্বেন ৱাৰ্নৰ মেনেজমেণ্টে এটা বিবৃতি প্ৰকাশ কৰে। ক'হ ছামুইৰ এক ভিলাত বিশ্ৰাম লৈ থকা অষ্ট্ৰেলিয়াৰ প্ৰাক্তন ক্ৰিকেটাৰগৰাকীক উঠাবলৈ চেষ্টা কৰা হৈছিল যদিও শ্বেন ৱাৰ্নৰ পৰা কোনো ধৰণৰ সঁহাৰি পোৱা নাছিল আৰু লগে লগে ঘটনাস্থলীত চিকিৎসকৰ দল উপস্থিত হয় যদিও চিকিৎসকৰ দলটোৱে ক্ৰিকেটাৰগৰাকীক মৃত বুলি ঘোষণা কৰে বুলি শ্বেন ৱাৰ্নৰ মেনেজমেন্ট কোম্পানীটোৰ বিবৃতিটোত সদৰী কৰে।'ৱাৰ্নি' উপনামেৰে জনাজাত শ্বেন ৱাৰ্নে ১৯৯২ চনৰ পৰা ২০০৭ চনলৈ ক্ৰিকেট অষ্ট্ৰেলিয়াক প্ৰতিনিধিত্ব কৰি বহুকেইটা অভিলেখ গঢ়িবলৈ সক্ষম হৈছিল। টেষ্ট কেৰিয়াৰত মুঠ ৭০৮টা উইকেট দখল কৰি বিশ্ব টেষ্ট ক্ৰিকেটত সৰ্বাধিক উইকেট দখল কৰা দ্বিতীয়গৰাকী বলাৰ ৰূপে কৃতিত্ব অৰ্জন কৰা শ্বেন ৱাৰ্নে ১৯৯২ চনৰ ২ জানুৱাৰীত ভাৰতৰ বিপক্ষে খেলি টেষ্ট অভিষেক ঘটাইছিল। ১৫ বছৰীয়া আন্তৰ্জাতিক ক্ৰিকেটত শ্বেন ৱাৰ্নে

( তিনিপৃষ্ঠাত চাওক)

# ইউক্ৰেইনৰ ওপৰত সাম্ৰাজ্যবাদী ৰাছিয়াৰ মিলিটাৰী আক্ৰমণৰ প্ৰতিবাদ এছইউচিআই




ৰঙিলী বাৰ্তাসেৱা- 'এটা বিশেষ সেনা অভিযান'ৰ নামত ইউক্ৰেইনৰ ওপৰত সাম্ৰাজ্যবাদী ৰাছিয়াৰ মিলিটাৰী আক্ৰমণৰ প্ৰতিবাদত আজি এছ ইউ চি আই (কমিউনিষ্ট) দলৰ অসম ৰাজ্যিক কমিটীৰ আহ্বানত ৰাজ্যৰ বিভিন্ন জিলা সদৰত প্ৰতিবাদী বিক্ষোভ সমাৰেশ অনুষ্ঠিত হয় । এই প্ৰতিবাদ গুৱাহাটীৰ উপৰিও কৰিমগঞ্জ , শিলচৰ, মঙলদৈ, নলবাৰী, ধুবুৰী হাটশিঙিমাৰী, গোৱালপাৰা, হাইলাকান্দি, তেজপুৰ, লখিমপুৰ, মাজুলী আদি জিলা সদৰত অনুষ্ঠিত হয়। এইউপলক্ষে গুৱাহাটীত দিনৰ ভাগত দলৰ ভালে সংখ্যক কৰ্মী সমৰ্থক উলুবাৰীৰ ভলভো পইন্টত সমবেত হয় আৰু ইউক্ৰেইনত ৰাছিয়াৰ সেনা অভিযান বন্ধ কৰক, পুঁজিবাদী সাম্ৰাজ্যবাদী শক্তি নিপাত যাওক, দেশে দেশে যুদ্ধৰ দাবানল সৃষ্টিকাৰী আমেৰিকান সাম্ৰাজ্যবাদ হুচিয়াৰ, যুদ্ধজোট নাটো ভাঙি দিয়ক, যুদ্ধৰ বিৰুদ্ধে বিশ্ব জনমত গঢ়ি তোলক, যুদ্ধ নহয় শান্তি লাগে আদি শ্লোগানেৰে বিক্ষোভ থলী উত্তাল কৰি তোলে ।বিক্ষোভৰ অন্তত তাতেই এখন পথসভা অনুষ্ঠিত হয়। সভাত বক্তব্য ৰাখে দলৰ অসম ৰাজ্যিক কমিটীৰ সদস্য কমৰেড অজিত আচাৰ্যই। কাৰ্যসূচীৰ শেষত দলৰ ৰাজ্যিক কমিটীৰ সম্পাদক কমৰেড চন্দ্ৰলেখা দাসে কয় যে বিভিন্ন দেশৰ ওপৰত নিজৰ নিয়ন্ত্ৰণ প্ৰতিষ্ঠাৰ বাবে আমেৰিকা আৰু ৰাছিয়ান সাম্ৰাজ্যবাদৰ মাজত থকা বিৰোধেই এই যুদ্ধৰ সৃষ্টি কৰিছে, যিটো বিশ্ব শান্তিৰ পক্ষে বিপদজনক। দুয়োখন সাম্ৰাজ্যবাদী দেশৰ ভিতৰত অস্বাভাৱিক নিবনুৱা সমস্যা, মূল্যবৃদ্ধি, ছাটাই, দাৰিদ্ৰতাআদি সমস্যাৰ বিৰুদ্ধে জনসাধাৰণৰ তীব্ৰ প্ৰতিবাদৰ মুখত পৰি জনগণৰ দৃষ্টি অইন ফালে ঘূৰাই দিয়াৰ উদ্দেশ্যে যুদ্ধ, যুদ্ধৰ উন্মাদনা আৰু উৎকট জাতীয়তাবাদৰ সৃষ্টি কৰিব বিচাৰিছে। তেওঁ ৰাছিয়া চৰকাৰৰ এই আক্ৰমণ বন্ধ কৰাৰ দাবী জনোৱাৰ লগতে এই আক্ৰমণৰ বিৰুদ্ধে প্ৰতিবাদ জনাবলৈ বিশ্বৰ জনগণৰ প্ৰতি আবেদন জনায়।

# দিব্যাংগ নাট্য বিদ্যালয়ত নাট প্ৰশিক্ষণৰ শুভাৰম্ভ



ৰঙিলী বাৰ্তসেৱা- দিব্যাংগ নাট্য বিদ্যালয়ৰ উদ্যোগত আজি নতুন ঠিকনা জোনালী তিনিআলিৰ সেন্দুৰিআলি পথ, ঘৰৰ নং ৫ত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানেৰে নাট প্ৰশিক্ষণৰ শুভাৰম্ভ কৰা হয়। অনুষ্ঠানৰ শুভাৰম্ভ কৰে বিশিষ্ট সাহিত্যিক, লেখিকা, 'দিব্যাংগ নাট্য বিদ্যালয়'ৰ উপদেষ্টা বন্দিতা ফুকনে। উপস্থিত থাকে ডি আৰ এছৰ প্ৰতিষ্ঠাপক গিনিমা বৰপূজাৰী, ডি আৰ এছৰ অধ্যক্ষা মৌচুমী বৰপূজাৰী শৰ্মা। অনুষ্ঠানত"দিব্যাংগ নাট্য বিদ্যালয়'ৰ ছাত্ৰ ছাত্ৰী সকলৰ লগতে ডি আৰ এছৰ ছাত্ৰ ছাত্ৰী সকলেও অনুষ্ঠান পৰিৱেশন কৰে। এই অনুষ্ঠানতে এ পি সাউদ প্ৰডাকশ্বনৰ জৰিয়তে সাধাৰণ শিশু সকলক নাটক, অভিনয়ৰ শিক্ষা প্ৰদানৰ উদ্দেশ্যে নাট্য বিদ্যালয়ৰ শুভাৰম্ভ কৰা হয়। এতিয়াৰ পৰা 'দিব্যাংগ নাট্য বিদ্যালয়ে' দিব্যাংগ শিশু সকলক আৰু এ পি সাউদ প্ৰডাকশ্বনে সাধাৰণ শিশু সকলক নাট্য শিক্ষা প্ৰদান কৰিব। অনুষ্ঠানৰ আঁত ধৰে"দিব্যাংগ নাট্য বিদ্যালয়'ৰ অধ্যক্ষ ৰাজীৱ কুমাৰ সাউদে। উপস্থিত থাকে বিদ্যালয়ৰ শিক্ষক প্ৰণব ৰাজখোৱা, আকাংক্ষা খাউন্দ, জুনমণি ৰয় আৰু অভিভাৱক সকল। ইচ্ছুক আগ্ৰহী ছাত্ৰ ছাত্ৰীয়ে ৯৭০৬১৪৩০৬৬, ৯৮৬৪১১২১৩০ নম্বৰত যোগাযোগ কৰিব পাৰে।

# গুৱাহাটী দৌলৎসৱ উদ্‌যাপন সমিতিৰ দৌলৎসৱৰ আয়োজন

ৰঙিলী বাৰ্তাসেৱা- বৃহত্তৰ গুৱাহাটী দৌলৎসৱ উদ্‌যাপন সমিতিয়ে দিছপুৰত কেন্দ্ৰীয়ভাৱে সত্ৰীয়া পৰম্পৰাৰে দৌলৎসৱ উদ্‌যাপন কৰি আহিছে।এই বছৰো ২০ সংখ্যক দৌলৎসৱ ১৭-১৮ মাৰ্চত দুদিনীয়া কাৰ্যসূচীৰে দিছপুৰ নামঘৰ প্ৰাংগণত অনুষ্ঠিত হ'ব। এই উপলক্ষে ৬-১৩ মাৰ্চলৈ বিয়লি ৪ বজাৰ পৰা হোলীগীতৰ কৰ্মশালাৰ আয়োজন কৰা হৈছে। ১৭ মাৰ্চত সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানৰ লগতে হোলীগীতৰ আধাৰত নৃত্য প্ৰতিযোগিতা। ১৮ মাৰ্চত পুৱাৰ ভাগত সদৌ অসম ভিত্তিত হোলীগীত প্ৰতিযোগিতা, দুপৰীয়াৰ ভাগত ভাগৱত ভ্ৰমণ আৰু দোলাসহ সাংস্কৃতিক শোভাযাত্ৰা অনুষ্ঠিত হ'ব। হোলীগীত আৰু হোলী নৃত্যৰ প্ৰতিযোগী দলসমূহক সমিতিৰ সাধাৰণ সম্পাদক মাধৱ পাঠক তথা ৯৪৩৫৬৩৭১০১ নম্বৰত যোগাযোগ কৰিব পাৰে। আনহাতে আন কাৰ্যসূচীৰ ভিতৰত নাম প্ৰসংগ, ভাগৱত পাঠ, উদ্‌যাপন সমিতিৰ মুখপত্ৰ 'হোলী' উন্মোচন, মেজি দাহ, আতচবাজি প্ৰদৰ্শন, তেলীয়া বাঁহৰ পৰা কলহ অনা খেলকে আদি কৰি অনুষ্ঠানৰ শেষত নামঘৰ প্ৰাংগণত বাঁহ ভঙা পৰ্বৰে দৌলৎসৱৰ বৰ্ণাঢ্য কাৰ্যসূচীৰে সামৰণি পৰিব।

# প্ৰাগজ্যোতিষ মহাবিদ্যালয়ত বিশ্ব বন্যপ্ৰাণী দিৱস উদযাপন



ৰঙিলী বাৰ্তাসেৱা- প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ উদ্যোগত আৰু মহাবিদ্যালয়ৰ IQACৰ সহযোগত ৩ মাৰ্চ ২০২২ তাৰিখে বিশ্ব বন্যপ্ৰাণী দিৱস উদযাপন কৰা হয়। সেই উদ্দেশ্যে মহাবিদ্যালয় প্ৰাংগনত 'Conservation of Iconic Primates in Anthropocene in Assam, India' - শীৰ্ষক এটি বক্তৃতানুষ্ঠান অনুষ্ঠিত কৰা হয়। বক্তৃতা প্ৰদান কৰে আন্তৰ্াষ্ট্ৰীয় খ্যাতি সম্পন্ন পৰিৱেশবিদ তথা উত্তৰ পূৰ্বাঞ্চলৰ প্ৰাইমেট ৰিচাৰ্ছ চেন্টাৰ সমন্বয়ক ড° যীহুচ বিশ্বাসে। প্ৰাণীবিজ্ঞান বিভাগৰ অধ্যাপক ড° মকিবুৰ ৰহমানে আঁত ধৰা সভাখনত আদৰণি ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মনোজ কুমাৰ মহন্তই। মহাবিদ্যালয়ৰ উপাধ্যক্ষা ড° চম্পা চৌধুৰীৰ লগতে বিভিন্ন বিভাগৰ অধ্যাপক - অধ্যাপিকা আৰু শতাধিক ছাত্ৰ ছাত্ৰীয়ে অংশগ্ৰহণ কৰা সভাখনত শলাগৰ শৰাই আগবঢ়াই প্ৰাণীবিজ্ঞান বিভাগৰ অধ্যাপিকা ড° সীমাশ্ৰী বৰাই।।

# ট্ৰাইবেলৰ সমস্যা সমাধানৰ দাবী জনজাতি ছাত্ৰ সন্থাৰ

ৰঙিলী বাৰ্তাসেৱা- ট্ৰাইবেল সকলৰ সমস্যা সমাধানৰ দাবী জনাইছে সদৌ ভাৰত জনজাতি ছাত্ৰ সন্থা, অসমে। দিছপুৰ প্ৰেছ ক্লাবত সদৌ ভাৰত জনজাতি ছাত্ৰ সন্থা, অসমে আয়োজন কৰা সংবাদ মেলত সভাপতি সুনীল কুমাৰ টেৰণ আৰু সম্পাদক প্ৰাণজিৎ দৈমাৰীয়ে মুখ্যমন্ত্ৰীক তীব্ৰ ভাষাৰে সমালোচনা কৰি কয়- অসম চৰকাৰে ট্ৰাইবেল সকলৰ সমস্যা সমাধানৰ ক্ষেত্ৰত কোনো গুৰুত্ব আজিলৈকে দিয়া নাই। ট্ৰাইবেল সকলৰ সমস্যা সমাধানৰ প্ৰশ্ন উত্থাপন কৰিলেই লুটি বাগৰ মাৰে চৰকাৰে। ৰাজ্যখনত এতিয়া ট্ৰাইবেল-ননট্ৰাইবেলৰ ৰাজনীতি চলিছে। মুখ্যমন্ত্ৰী ট্ৰাইবেল নোহোৱাৰ বাবেই ট্ৰাইবেলক গুৰুত্ব দিয়া নাই ।তাৰে উদাহৰণ হিচাপে কৃতিকমলে ন্যায় পালে কিন্তু বৰচিং টিচোক ফৰেষ্টাৰে গুলিয়াই হত্যা কৰিলে। কিন্তু মুখ্যমন্ত্ৰীয়ে এইক্ষেত্ৰত গুৰুত্বই নিদিলে।এনে লাগে ৰাজ্যখনৰ ট্ৰাইবেল মন্ত্ৰী বিধায়ক সকল টিলিঙা বজাবলৈহে আছে। তেওঁলোকৰ মাটিৰ অধিকাৰ প্ৰদান কৰিব লাগে। ফৰেষ্ট এচিচি কাৰ্যকৰী কৰিব লাগে। এগৰাকী ব্যক্তিক চৰাইৰ দৰে গুলিয়াই হত্যা কৰাৰ পাছতো আজিলৈকে কোনো ব্যৱস্থা নকৰিলে আৰক্ষী প্ৰশাসনে। কাঠ কটাৰ অনুমতি নিজে প্ৰদান কৰি ছয় হাজাৰ টকা লৈ হত্যা কৰিলে বৰচিং টিচো নামৰ এগৰাকী দিন হাজিৰা কৰা ব্যক্তিক। মুখ্যমন্ত্ৰীৰ দৃষ্টিগোচৰ কৰাৰ পাছতো কোনো গুৰুত্ব নিদিলে মুখ্যমন্ত্ৰীয়ে । বৰচিং টিচোৰ অহা যোৱা কৰা বন বিষয়া কেশৱ লস্কৰ, নিলকান্ত নাৰায়ন, দুলাল বৰাই হত্যা কৰিলে বৰচিং টিচোক কিন্তু আজি বাৰ দিনৰ পাছতো ন্যায় পোৱা নাই দুৰ্ভগীয়া পৰিয়ালে। তেওঁলোকে ভুক্তভোগী পৰিয়ালক এটা চৰকাৰী চাকৰি প্ৰদানৰ লগতে ২০ লাখ টকা প্ৰদানৰ দাবী জনায়।

# গোলাঘাট মহকুমাৰ দুখন পৌৰসভাৰ নিৰ্বাচন নিকা আৰু স্বচ্ছভাৱে অনুষ্ঠিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ উপায়ুক্তৰ

ৰঙিলী বাৰ্তাসেৱা-অহা ৬ মাৰ্চত গোলাঘাট মহকুমাৰ অন্তৰ্গত গোলাঘাট আৰু দেৰগাঁও পৌৰসভাৰ অধীনৰ ২৩টা ৱাৰ্ডৰ বাবে হ'বলগীয়া নিৰ্বাচন সন্দৰ্ভত অলপতে গোলাঘাট জিলাৰ উপায়ুক্ত শ্ৰী মৃগেশ নাৰায়ণ বৰুৱাই এখন সংবাদমেল সম্বোধন কৰে। উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত সংবাদমেলত উপায়ুক্তগৰাকীয়ে নিৰ্বাচন নিকা আৰু নিয়াৰিকৈ সম্পন্ন কৰাৰ ক্ষেত্ৰত সকলোৰে সহায়-সহযোগিতা কামনা কৰে। নিৰ্বাচন স্বচ্ছভাৱে অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত তেওঁ নিৰ্বাচনী আচৰণ বিধি কঠোৰভাৱে পালন কৰাৰ বিষয়ত গুৰুত্ব আৰোপ কৰে। বিশেষকৈ নিৰ্বাচনী প্ৰক্ৰিয়াটো যাতে নিকাভাৱে সম্পন্ন কৰিব পৰা যায় সেয়া সুনিশ্চিত কৰিব পৰাকৈ কোনো দল বা প্ৰাৰ্থীয়ে অবৈধভাৱে ধনৰ লেনদেন কৰাৰ তথ্য পালে অথবা ভোটদাতাক প্ৰলোভিত কৰাৰ চেষ্টা কৰিলে নিৰ্বাচনী বিষয়া অথবা প্ৰশাসনক অৱগত কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে ভোটদাতাসকলকো কোনো প্ৰলোভনত ভোল নগৈ বিবেকেৰে ভোট দিবলৈ আহ্বান জনায়। তেওঁ কয় যে গোলাঘাট পৌৰ সভাত এজন প্ৰাৰ্থীয়ে সৰ্বাধিক ৩৬, ৪০০ টকাহে প্ৰচাৰৰ নামত ব্যয় কৰিব পাৰিব। আনহাতে দেৰগাঁও পৌৰসভাত এই সীমা ৩১, ২০০ টকা। উপায়ুক্তগৰাকীয়ে কয় যে অহা ৬ মাৰ্চৰ পুৱা ৮ বজাৰ পৰা বিয়লি ৪ বজালৈ ভোটগ্ৰহন কৰা হ'ব আৰু ৯ মাৰ্চৰ পুৱা ৮ বজাৰ পৰা ভোটগণনা কৰা হ'ব। এইবাৰ পৌৰসভাৰ নিৰ্বাচনত প্ৰথমবাৰৰ বাবে বেলট কাকতৰ পৰিৱৰ্তে ইভি এমযোগে ভোটগ্ৰহণ কৰা হ'ব বুলি উল্লেখ কৰি তেওঁ কয় যে গোলাঘাট আৰু দেৰগাঁও পৌৰসভাৰ ই ভি এমসমূহ গোলাঘাট চৰকাৰী বেজবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত স্থাপন কৰা ষ্ট্ৰং ৰুমত ৰখা হ'ব। ভোটগণনাও বিদ্যালয়খনতে কৰা হ'ব। তেওঁ কয় যে সমগ্ৰ ভোটগ্ৰহণ প্ৰক্ৰিয়াটোত মুঠ ২৯৬গৰাকী প্ৰিজাইডিং আৰু পলিং বিষয়া নিয়োগ কৰা হ'ব। ইয়াৰে ৫২ জন বিষয়া সংৰক্ষিত হিচাপে ৰখা হ'ব। ভোটগ্ৰহন সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে উপায়ুক্তগৰাকীয়ে সংবাদ মাধ্যমৰো সহায়-সহযোগিতা কামনা কৰে। উপায়ুক্তগৰাকীয়ে প্ৰসংগক্ৰমে ভাৰতীয় নিৰ্বাচন আয়োগে ভোটদাতাসকলক সজাগ কৰাৰ বাবে আৰম্ভ কৰা “মোৰ ভোট মোৰ ভৱিষ্যৎ-এটা ভোটৰ শক্তি” শীৰ্ষক প্ৰতিযোগিতাৰ বিষয়ে অৱগত কৰে। তেওঁ কয় যে নিৰ্বাচন আয়োগৰ ৱেবচাইটত এই বিষয়ে সবিশেষ তথ্য লাভ কৰিব পাৰিব। ৫ টা শাখাত অনুষ্ঠিত কুইজ, শ্লোগান, গীত, ভিডিঅ' মেকিং আৰু পোষ্টাৰ ডিজাইন প্ৰতিযোগিতাত ভাগ লৈ নগদ ধনৰ পুৰস্কাৰ লাভ কৰিব পাৰিব বুলিও তেওঁ কয়। উল্লেখযোগ্য যে গোলাঘাট মহকুমাৰ দুয়োখন পৌৰসভাৰ বাবে মুঠ ৬১ টা ভোটগ্ৰহন কেন্দ্ৰ স্থাপন কৰা হৈছে। ইয়াৰে গোলাঘাট পৌৰসভাত ৩৯টা আৰু দেৰগাঁও পৌৰসভাত ২২টা ভোটগ্ৰহন কেন্দ্ৰ স্থাপন কৰা হৈছে। গোলাঘাট পৌৰসভাত ছটা ৱাৰ্ড মহিলাৰ বাবে সংৰক্ষিত। ৱাৰ্ডকেইটা হৈছে ১, ২, ৩, ৫, ১২ আৰু ১৩ নং ৱাৰ্ড। আনহাতে দেৰগাঁও পৌৰসভাৰ ৩, ৫, ৬, ৭ আৰু ৯ নং ৱাৰ্ড মহিলাৰ বাবে সংৰক্ষিত আৰু ৮ নং ৱাৰ্ডটো অনুসূচীত জাতিৰ প্ৰাৰ্থীৰ বাবে সংৰক্ষিত। গোলাঘাট পৌৰসভাত মুঠ ভোটদাতাৰ সংখ্যা ৩২, ৬৫৫জন। ইয়াৰে ১৬, ১৩৮ জন পুৰুষ আৰু ১৬, ৫১৭ গৰাকী মহিলা। আনহাতে দেৰগাঁও পৌৰসভাত মুঠ ভোটদাতাৰ সংখ্যা ১৯০৮৩ জন। ইয়াৰে ৯৭১৬ জন পুৰুষ আৰু ৯৩৬৭ গৰাকী মহিলা।

## লখৰাত শিশু থিয়েটাৰ কৰ্মশালা

ৰঙিলী বাৰ্তাসেৱা- মহানগৰীৰ লখৰাৰ ডি শৰ্মা কালচাৰেল একাডেমীৰ উদ্যোগত আৰু নতুন দিল্লীৰ ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ সহযোগত শনিবাৰে বেতকুছিৰ শংকৰদেৱ শিশু নিকেতনৰ মঞ্চত এখন এমহীয়া শিশু থিয়েটাৰ কৰ্মশালা শুভাৰম্ভ কৰা হয়। উক্ত কৰ্মশালা উদ্বোধন কৰে বিশিষ্ট নাট্যকাৰ, পৰিচালক, অভিনেত্ৰী পূৰ্ণিমা শইকীয়াই। কৰ্মশালাত প্ৰায় একৈশজন শিশুৱে ভাগ লয়। স্বাধীনতাৰ অমৃত মহোৎসৱ উপলক্ষে ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ে দেশৰ অৱন্দিত স্বাধীনতা যুঁজাৰু সকলৰ প্ৰচাৰৰ বাবে ৮ বছৰ বয়সৰ পৰা ১৫ বছৰ বয়সলৈ শিশু সকলৰ মাজত প্ৰডাকচন ওৰিয়েন্টেড এমহীয়া নাট কৰ্মশালা পৃষ্ঠপোষকতা কৰে। কৰ্মশালাৰ উদ্বোধনী অনুষ্ঠানত নিকেতনৰ প্ৰধানাচাৰ্য ডা° দিনেশ কলিতা, হেমেন কুমাৰ শৰ্মা, কৰ্মশালাৰ মুখ্য প্ৰশিক্ষক ৰাজীৱ কুমাৰ সাউদ, নাট্যকৰ্মী শিৱ প্ৰসাদ নাথ, ধীৰাজ কুমাৰ, বংকিম তালুকদাৰ, মনোজ শৰ্মা উপস্থিত থাকে। গোটেই অনুষ্ঠানটো আঁত ধৰে ডি শৰ্মা কালচাৰেল একাডেমীৰ সম্পাদক অঞ্জন শৰ্মাই। উল্লেখ্য, কৰ্মশালাৰ অন্তত ২৪ মাৰ্চত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰস্থিত শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত মুক্তি যুঁজাৰু প্ৰয়াত হংসনাথ দেৱ শৰ্মাৰ ওপৰত এখনি নাট্য প্ৰদৰ্শন কৰা হ'ব।

## মাজুলী উপ-নিৰ্বাচনৰ

ভুলতে যদি বেলেগ দলত ভোট দিয়ে, তেন্তে গাখীৰ নিদিয়া গৰুৰ দৰে হ'ব। গতিকে ভুবন গামক ভোট দিলে ১৬ লিটাৰ গাখীৰ প্ৰত্যেকদিনে ওলাব। কোনোবাই অৰুণোদয় পাব, মাটিৰ কাগজ পাব, পেন্সন পাব, ৰাস্তা পাব, দলং পাব আৰু কোনোবাই চৰকাৰী চাকৰি পাব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। ভুবন গামৰ লগত দিছপুৰ আৰু দিল্লী চৰকাৰৰ দুটাকৈ ইঞ্জিন আছে। এখন গাড়ীত দুটাকৈ ইঞ্জিন আছে যেতিয়া মাজুলীৰ বিকাশৰ গতি ৬০ কিলোমিটাৰ গতিবেগেৰে নহয়, ১২০ গতিবেগেৰে চলিব।

## অষ্ট্ৰেলিয়াৰ প্ৰাক্তন

১৪৫খন টেষ্ট আৰু ১৯৪খন এদিনীয়া মেচত অষ্ট্ৰেলিয়াক প্ৰতিনিধিত্ব কৰিছিল। কিংবদন্তি স্পীনাৰগৰাকীয়ে এদিনীয়া ক্ৰিকেটতো ২৯৩টা উইকেট দখল কৰে। ১৯৬৯ চনৰ ১৩ ছেপ্টেম্বৰত অষ্ট্ৰেলিয়াৰ ভিক্টোৰিয়াত জন্মগ্ৰহণ কৰা শ্বেন ৱাৰ্নে ২০০৭ চনৰ ২ জানুৱাৰীত ইংলেণ্ডৰ বিপক্ষে কেৰিয়াৰৰ অভিমখন টেষ্ট খেলাৰ বিপৰীতে ২০০৫ চনৰ ১০ জানুৱাৰীত এছিয়া একাদশৰ বিপক্ষে অভিমখন এদিনীয়া মেচ খেলিছিল। ২০১৩ চনত সকলোধৰণৰ ক্ৰিকেটৰ পৰা অৱসৰ গ্ৰহণ কৰা কিংবদন্তি ক্ৰিকেটাগৰাকীয়ে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডৰ ঐশ্বৰ্যশালী টি-২০ ক্ৰিকেট প্ৰতিযোগিতা ইণ্ডিয়ান প্ৰিমিয়াৰ লীগৰ সৈতেও জড়িত আছিল।

## ক্ৰমাৎ বৃদ্ধি পাইছে অগপ-বিজেপিৰ মাজত সৃষ্টি হোৱা ব্যৱধান

ৰঙিলী বাৰ্তাসেৱা- ক্ৰমাৎ বৃদ্ধি পাব ধৰিছে অগপ-বিজেপিৰ মাজত সৃষ্টি হোৱা ব্যৱধান। পৌৰসভা নিৰ্বাচনত কেইবাখনো জিলাত আসন বুজাবুজিক লৈ সৃষ্টি হোৱা অসন্তুষ্টিয়ে দল দুটাৰ মাজত ব্যৱধান বৃদ্ধি কৰাই নহয়, পৰস্পৰৰ সমালোচনাত দল দুটাৰ কেইবাগৰাকীও নেতা সৰৱ হৈ পৰিছে। এনে অৱস্থাৰ মাজতে অগপৰ জ্যেষ্ঠ নেতা তথা প্ৰাক্তন মন্ত্ৰী ফণীভূষণ চৌধুৰীয়ে আঞ্চলিক শক্তিক একত্ৰিত হ'বলৈ আহ্বান জনালে। বঙাইগাঁও পৌৰসভা নিৰ্বাচনত অগপ-বিজেপিৰ আসন বুজাবুজিত হোৱা মতানৈক্যৰ ফলত দুয়ো দলে নিজাববীয়াকৈ প্ৰাৰ্থী প্ৰক্ষেপ কৰিছিল। সেয়া আছিল ব্যৱধানৰ আৰম্ভণি। নিৰ্বাচনী সভাত বিজেপিৰ কেইবাজনো নেতা আক্ৰমণৰ লক্ষ্য আছিল ফণীভূষণ চৌধুৰী। আনকি ৰাজ্যত আঞ্চলিকতাবাদৰ কোনো অস্তিত্ব নাই বুলি বিজেপিৰ একাংশ নেতাই কৰা মন্তব্যৰ পাছতে আঞ্চলিকতাবাদৰ সপক্ষে সৰৱ হৈ পৰিল ফণীভূষণ চৌধুৰী। অগপৰ নেতাজনৰ মন্তব্য আঞ্চলিক শক্তি একত্ৰিত হোৱাৰ সময় সমাগত। পৌৰসভা নিৰ্বাচনৰ প্ৰচাৰৰ অন্তিম দিনটোত বঙাইগাঁৱত বৃহৎ সমদল উলিয়াই ফণীভূষণ চৌধুৰীয়ে কয়-এয়া আঞ্চলিকতাবাদৰ উত্থানৰ আগজাননী। আঞ্চলিকতাবাদত বিশ্বাসীসকলক আহ্বান জনাই ফণীভূষণ চৌধুৰীয়ে ইয়াকো কয়- 'আঞ্চলিকতাবাদ শক্তিশালী কৰাৰ বাবে আমি ঐক্যবদ্ধ হ'বই লাগিব'।



ফণীভূষণ চৌধুৰীৰ এনে মন্তব্যৰ বিৰুদ্ধে প্ৰতিক্ৰিয়া ব্যক্ত কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। মাজুলীৰ উপ-নিৰ্বাচনৰ প্ৰচাৰ অভিযানত ব্যস্ত থকাৰ মাজতে মুখ্যমন্ত্ৰীৰ মন্তব্য- এনে কথাই তিক্ততাৰ সৃষ্টি কৰে। সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰীয়ে কয়- আঞ্চলিকতাবাদ আৰু ৰাষ্ট্ৰীয়তাবাদ দুটা বেলেগ বস্তু। ফণীভূষণ চৌধুৰীয়ে কি প্ৰসংগত কথাবোৰ কৈছে নাজানো। কিন্তু অগপ আৰু বিজেপিয়ে একেলগে, বন্ধুত্বপূৰ্ণভাৱে বহুত ভাল কাম কৰি আছে। মই পৌৰসভা নিৰ্বাচনৰ পূৰ্বে কৈছিলোঁ যে দুয়োটা দলে সপক্ষে-বিপক্ষে একো কথা ক'ব নালাগে। মুখ্যমন্ত্ৰীগৰাকীয়ে অধিক তিক্ততা বৃদ্ধি নকৰাকৈ পৌৰ নিৰ্বাচন পাৰ কৰাৰো কামনা কৰে। বহুত ভাল কাম কৰি আছে। মই পৌৰসভা নিৰ্বাচনৰ পূৰ্বে কৈছিলোঁ যে দুয়োটা দলে সপক্ষে-বিপক্ষে একো কথা ক'ব নালাগে। মুখ্যমন্ত্ৰীয়ে অধিক তিক্ততা বৃদ্ধি নকৰাকৈ পৌৰ নিৰ্বাচন পাৰ কৰাৰো কামনা কৰে। অগপ-বিজেপিৰ মাজত বৃদ্ধি পোৱা এনে ব্যৱধানক লৈ অগপ নেতৃত্বও যথেষ্ট বিবুধিত পৰিছে। আঞ্চলিক দলটোৰ সভাপতি অতুল বৰাই আজি সংবাদ মাধ্যমত স্পষ্ট কৰি দিয়ে যে পৌৰসভা নিৰ্বাচনত অগপ আৰু বিজেপি মিত্ৰতাৰে অৱতীৰ্ণ গৈছে। তৃণমূল পৰ্যায়ত আসন বুজাবুজিৰ কৰ্তৃত্ব দিয়া হৈছিল দুয়ো দলৰ কৰ্মীক। যি অঞ্চলত বুজাবুজি সম্ভৱ হোৱা নাই, তাত পৃথকে পৃথকে নিৰ্বাচনত অৱতীৰ্ণ হৈছে দল দুটা। ইফালে অগপ-বিজেপিৰ মাজত দেখা দিয়া সংঘাত সন্দৰ্ভত অগপৰ কাৰ্যকৰী সভাপতি তথা মন্ত্ৰী কেশৱ মহন্তৰ মন্তব্য এনেধৰণে কিবাকিবি হৈ থাকিলে ভাল নালাগে। অগপ-বিজেপিৰ মিত্ৰতা কেৱল দিল্লী-দিছপুৰতে নহয়, নলবাৰীতো মিত্ৰতাৰে আমি পৌৰসভা নিৰ্বাচনত অৱতীৰ্ণ হৈছোঁ।

# যেতিয়া এঠাইত সকলো বিভাগৰ কাৰ্যালয়ত উপলব্ধ

গোপাল জালান

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শেহতীয়াভাৱে ঘোষণা কৰিছে যে সৰু সৰু কাৰ্যালয় (বিভিন্ন বিভাগৰ)সমূহ জিলা উপায়ুক্তৰ কাৰ্যালয় চৌহদত স্থাপন কৰিব। নিঃসন্দেহে এয়া এক আদৰণীয় পদক্ষেপ। কাৰণ সাধাৰণ ৰাইজে কেতিয়াবা সাধাৰণ কাম এটা— যিটো এঘণ্টামানৰ ভিতৰতে সম্পাদন কৰাটো সম্ভৱ তেনে কামৰ বাবে বিভাগীয় কাৰ্যালয়ৰ দুৱাৰে দুৱাৰে তাঁতবাটি কাঢ়িবলগীয়া হয়। এটা বিভাগৰ কাৰ্যালয়ৰ পৰা আন এটালৈকে যাবলৈ বহু সময়ৰ প্ৰয়োজন হয়। তদুপৰি এটা বিভাগৰ পৰা সামান্য কাম এটাৰ ফাইল বা কাগজ এখন উপায়ুক্তৰ কাৰ্যালয় পাবলৈ এমাহ-দুমাহ বাদেই- কেতিয়াবা এবছৰ-দুবছৰপৰ্যন্ত লাগে। যদি এগৰাকী ব্যক্তিৰ ক্ষেত্ৰতে এনে অৱস্থাৰ সৃষ্টি হয় তেনেহ'লে হাজাৰ হাজাৰ লোকৰ কাম সম্পাদন কৰিবলৈ কিমান সময়ৰ প্ৰয়োজন হ'ব সেয়া ভাবিলেই আচৰিত লাগে। বিগত সময়ছোৱাত এনেদৰেই কাম সম্পাদন হৈ আহিছে। ইয়াৰ ফলত ব্যক্তিগত কামৰ কথা বাদেই- ৰাজহুৱা কামসমূহো বিলম্ব হোৱাত উন্নয়নত ব্যাঘাত জন্মে। এখন সমাজৰ উন্নয়নৰ বাবে ৰাইজৰ লগতে সমাজখনৰ প্ৰতিগৰাকী ব্যক্তিৰ উন্নতি হ'ব লাগিব।

এতিয়াৰে পৰা বিভাগীয় সৰু সৰু কাৰ্যালয় উপায়ুক্তৰ কাৰ্যালয় চৌহদত হ'লে টেবুলৰ তলেদি চলা কাৰ্যসমূহো নিশ্চয়কৈ বন্ধ হ'ব। কাৰণ সকলো বিষয়া-কৰ্মীয়ে নিজৰ নিজৰ টেবুলৰ ফাইলসমূহ নিৰ্দিষ্ট সময়ৰ ভিতৰত প্ৰেৰণ কৰিবই লাগিব।

উপায়ুক্তই সদায় এক নিৰ্দিষ্ট সময়ত বিভিন্ন বিভাগৰ ফাইলসমূহ নিজৰ টেবুলত দিবলৈ নিৰ্দেশনা জাৰি কৰিলে সকলোৱে এনে কৰিবলৈ বাধ্য হ'ব। প্ৰায়সংখ্যক বিভাগৰ সৰু সৰু কাৰ্যালয়সমূহত দীৰ্ঘদিন ধৰি কাম নকৰাকৈ থৈ দিয়াটো ইমান দিনে এক পৰম্পৰা হিচাপে চলি আহিছিল। এদিনত কৰিব পৰা কামটোও দুই-তিনিমাহ লগোৱাৰ কোনো প্ৰয়োজন নাই। কৰ্মীসকলৰ এলাহ নে আন কোনো কাৰণ থাকে, সেয়া সহজে অনুমান কৰিব নোৱাৰি। তদুপৰি সৰু সৰু কাৰ্যালয়সমূহৰ মাজত যদি দূৰত্ব বেছি থাকে তেনেহ'লে এটাৰ পৰা আনটোলৈ ফাইল এটি যাবলৈ কেবামাহ, বছৰৰ প্ৰয়োজন হয়। ক'ৰবাত যদি মানুহ কম থকা বুলি কয়, আন ক'ৰবাত আকৌ কৰ্মচাৰীৰ উপস্থিতি সেৰেঙা বাবে এনেবোৰ কাম সময়মতে কৰিব নোৱাৰা হয়।

জিলা পৰ্যায়ত সম্পাদন কৰিব পৰা কামখিনি যদি সময়মতে উপায়ুক্তৰ টেবুল গৈ পাই তেনেহ'লে সকলোৱেই উপকৃত হ'ব পাৰে। এতিয়াৰে পৰা যদি উপায়ুক্তৰ কাৰ্যালয়ৰ চৌহদতে এইবোৰ কাৰ্যালয় থাকে তেনেহ'লে উপায়ুক্তয়ো যিকোনো সময়তে এইবোৰ বিচাৰিব পাৰিব। তদুপৰি উপায়ুক্তৰ টেবুললৈ যদি সদায় এক নিৰ্দিষ্ট সময়ত প্ৰতিটো বিভাগৰ ফাইলবোৰ আহে তেনেহ'লে সেইবোৰ ভালদৰে পৰীক্ষা কৰাটো সম্ভৱ হ'ব। উপায়ুক্তয়ো কঠোৰ নিৰ্দেশনা জাৰিৰে বিভিন্ন বিভাগৰ পৰা প্ৰয়োজনীয় তথা গুৰুত্বপূৰ্ণ ফাইলসমূহ সদায় নিৰ্দিষ্ট সময়ত জমা দিবলৈ ক'লে প্ৰতিগৰাকী কৰ্মীয়ে নিজৰ কাৰ্য সম্পাদন কৰিবলৈ বাধ্য হ'ব।

যিহেতু উপায়ুক্তই সকলোবোৰ তদাৰক কৰিব লাগিব, সেয়েহে তেওঁৰ বাসগৃহও এই কাৰ্যালয়ৰ সমীপতে হ'লে বেছি লাভ হ'ব। কাৰণ যদি উপায়ুক্তৰ কাৰ্যালয়ৰ পৰা বাসগৃহৰ মাজত দূৰত্ব বেছি হয় তেনেহ'লে



অহা-যোৱা কৰোঁতে বেছি হ'লে প্ৰয়োজন হ'লেও কাৰ্যালয়ত অধিক সময় থকাটো সম্ভৱ নহ'ব। তদুপৰি কৰ্মচাৰীসকলৰ বাবেও সমস্যাৰ সৃষ্টি নোহোৱাকৈ নাথাকিব।

যদিহে উপায়ুক্তৰ কাৰ্যালয় চৌহদত প্ৰায়সংখ্যক কাৰ্যালয় উপলব্ধ হয় তেনেহ'লে ৰাইজৰ আটাইতকৈ বেছি লাভ হ'ব। কাৰণ যাতায়াতৰ ক্ষেত্ৰত লাভান্বিত হয়। যদি কোনো এগৰাগী ব্যক্তিয়ে কোনো এটা কামৰ বাবে তিনিটা বিভাগৰ কাৰ্যালয়লৈ বেলেগে বেলেগে পথেৰে যাবলগীয়া হয় তেনেহ'লে অৰ্থৰ লগতে সময়ৰো প্ৰয়োজন হ'ব। দুখীয়া ৰাইজে এটা কামৰ বাবে যেতিয়া বেলেগ বেলেগ কাৰ্যালয়লৈ যাবলগীয়া হয় তেতিয়া তেওঁৰ অৰ্থ-ব্যয়ো হ'ব। তদুপৰি যাতায়াত কৰোঁতে অপ্ৰয়োজনীয়ভাৱে ব্যয় কৰা সময়ো ৰাহি হ'ব। এনেদৰে যদি হাজাৰ হাজাৰ ব্যক্তিৰ সময় আৰু অৰ্থ ৰাহি হয় তেনেহ'লে সমাজৰ সামগ্ৰিক উন্নতিত সহায়ক হ'ব। আনহাতে, একেলগে আটাইবোৰ কাৰ্যালয় হ'লে সৌন্দৰ্যবোধো হ'ব। পৰিপাটি আৰু সৌন্দৰ্যবোধ সমানে যেতিয়া ৰাইজৰ দৃষ্টিত পৰিব তেতিয়া ঠাইখনো দেখাত ভাল হ'ব। সেইবাবে মুখ্যমন্ত্ৰী ড° শৰ্মাৰ এই পদক্ষেপক সকলোৱে আদৰণি জনাইছে।

# লোক পৰিৱেশ্যকলাৰ এক অন্যতম অংগঃ বাৰে চহৰীয়া ভাওনা

পৰী কৌশিক শৰ্মা
অসম মহিলা বিশ্ববিদ্যালয়



অসমৰ সত্ৰ নামঘৰ সমূহত গুৰু দুজনাৰ ভাওনা সমূহ অনুষ্ঠিত কৰি অহাৰ কথা সকলোৱে জ্ঞাত। জামুগুৰিহাটত অনুষ্ঠিত এই বাৰে চহৰীয়া ভাওনা নিশ্চয় ১৮২৬ চনৰ পাছৰ এক নান্দনিক আৰু বিস্ময়কৰ ৰূপ (আলম লৈ)। ইয়াৰ আগতে চতিয়াত এই ভাওনা অনুস্থিত হৈ আহিছিল। বিজ্ঞ জনে কয় যে “এই বাৰে চহৰীয়া ভাওনা হেনো হেজাৰী ভাওনাৰ এটা সংক্ষিপ্ত ৰূপ”।

“বাৰে চহৰীয়া ভাওনা” পৰিৱেশন কৰিবলৈ খৰালি সময় উপযুক্ত বুলি ধৰা হয় আৰু ইয়াৰ বাবে এখন মঞ্চ প্ৰতিষ্ঠা কৰা হয়। মঞ্চখন জোখঠমাপ কৰি প্ৰতিষ্ঠা কৰে, মঞ্চৰ সোঁমাজতে নিৰ্মাণ কৰে ২০ফুট দীঘল এটা মনিকুট। মণিকূটক কেন্দ্ৰ কৰি চাৰিওদিশে তৈয়াৰ কৰা হয় ভাওনাৰ খলা। সোমাজৰ মঞ্চখন বৰ ওখকৈ নিৰ্মাণ কৰা হয় আৰু ইয়াৰ তলৰ মধ্যভাগত যথাৰীতিৰে ভাগৱত পুৰাণ প্ৰতিষ্ঠা কৰে। মণিকুটৰ ঠিক ওপৰত সিংহাসন প্ৰতিষ্ঠা কৰে আৰু ইয়াত পৰম্পৰাগত ভাৱে শ্ৰীমদ্ভাগৱত ভাগৱত পুৰাণ প্ৰতিষ্ঠা কৰিব লাগে বুলি নিয়ম। মাজভাগত প্ৰসংগ আদিৰ বাবে ৩০ফুট খালি ঠাই ৰখা হয়।

বাৰে চহৰীয়া ভাওনা এই শব্দটিৰ অভিধানগত অৰ্থ হ'ল বাৰখন চহৰ বা গাওঁ। অসমৰ সামাজিক জীৱনটোক বুজোৱাৰ বাবে এই শব্দটিৰ প্ৰয়োগ কৰা হয়। বাৰ শব্দটোৱে অনেক, বহুতঅৰ্থ প্ৰয়োগ কৰা হয়। বিভিন্ন গাঁৱৰ পৰা আহি ভাওনাৰ দলবোৰে এই মহোৎসৱত অংশগ্ৰহণ কৰে কেতিয়াবা এনে দলৰ সংখ্যা ২০-২৪টা লৈকে যাব পাৰে।

(দহ পৃষ্ঠাত চাওক)

# বেয়া অভ্যাসবোৰ ত্যাগ কৰক

সংযুক্তা দত্ত
দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়




এডাল পেঞ্চিল যদি আমাক ভাঙিবলৈ দিয়া হয় তেতিয়া আমি অতি সহজেই সেই পেঞ্চিল ডাল ভাঙি পেলাব পাৰিম। আৰু যদি আমাক দুডাল ভাঙিবলৈ কোৱা হয়। তেতিয়াও সোনকালেই ভাঙিব পাৰিম। কিন্তু যেতিয়া তিনিডাল বা পাঁচডাল পেঞ্চিল ভাঙিবলৈ কোৱা হয়। তেতিয়া আমাৰ বাবে অলপ কঠিন হ'ব। আমি আগতে যেনেকৈ দুডাল অতি সহজেই ভাঙিব পাৰিছিলো। ঠিক তেনেদৰে আমি পাঁচডাল পেঞ্চিল সহজেই ভাঙিব নোৱাৰো। আৰু এনেদৰেই আমাৰ লাহে লাহে বেয়া অভ্যাস কিছুমান গঢ় লৈ উঠে। যদি আমি এদিন ৰাতিপুৱা দেৰিকৈ উঠো। তেতিয়া আমি আকৌ পাছদিনাখন দেৰিকৈ উঠা আৰম্ভ কৰো। আৰু এই অভ্যাস টো আমাৰ বেয়া অভ্যাসলৈ লাহে লাহে ৰূপান্তৰিত হয়। এই অভ্যাস যদি বছৰ বছৰ ধৰি কৰি আহিছো। তেতিয়া সেই এডাল পেঞ্চিলৰ ঠাইত পেঞ্চিলৰ এটা মোঠা হৈ যায়। যেনেদৰে এডাল পেঞ্চিল এবাৰত ভাঙিব পাৰো। তেনেদৰে আমি পেঞ্চিলৰ মোঠা এবাৰতে ভাঙিব নোৱাৰো ভঙাটো সম্ভৱ হ'ব কিন্তু আমাৰ বাবে বৰ কঠিন কাম হ'ব। সেইকাৰণে আমি প্ৰত্যকদিনে এডাল এডালকৈ পেঞ্চিল ভাঙিব লাগিব। তেতিয়া হে আমি পেঞ্চিলৰ মোঠা ভাঙি শেষ কৰিব পাৰিম। ঠিক তেনেদৰে আমি প্ৰত্যকদিনে এটা এটাকৈ বেয়া অভ্যাসবোৰক ত্যাগ কৰিব লাগে।

# ইউক্ৰেইনৰ পৰা ১১, ০০০ তকৈও অধিক ভাৰতীয় নাগৰিকক স্থানান্তৰ



ৰঙিলী বাৰ্ত্তাসেৱা- ইউক্ৰেইনত চলি থকা ৰাছিয়াৰ সামৰিক অভিযানৰ মাজতে সংঘৰ্ষগ্ৰস্ত দেশখনৰ পৰা ১১, ০০০ তকৈও অধিক ভাৰতীয় নাগৰিকক স্থানান্তৰ কৰা হৈছে বুলি বৈদেশিক পৰিক্ৰমা ৰাজ্যিক মন্ত্ৰী ভি মুৰলীধৰণে জানিবলৈ দিয়ে। টুইটাৰযোগে মুৰলীধৰণে কয়, “অপাৰেচন গংগা পূৰ্ণ গতিত চলি আছে, এতিয়ালৈকে ইউক্ৰেইনৰ পৰা ১১, ০০০ তকৈও অধিক ভাৰতীয়ক স্থানান্তৰ কৰা হৈছে। এয়াৰএছিয়া ইণ্ডিয়া (AirAsia India)ৰ জৰিয়তে স্থানান্তৰিত নতুন দিল্লী বিমানবন্দৰত ১৭০ জনীয়া ভাৰতীয়ৰ এটা গোট লাভ কৰি সুখী। আমাৰ মিছন, বিদেশী চৰকাৰ আৰু স্বেচ্ছাসেৱকসকলক তেওঁলোকৰ নিৰন্তৰ সমৰ্থনৰ বাবে ধন্যবাদ।”

# ২৮৯ জন লোকৰ নতুনকৈ কৰ’নাত আক্ৰান্ত হৈ মৃত্যু



ৰঙিলী বাৰ্ত্তাসেৱা- স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে জনোৱা অনুসৰি ভাৰতত যোৱা ২৪ ঘণ্টাত নতুনকৈ ৫, ৯২১জন লোক কৰ’নাত আক্ৰান্ত হৈছে। দেশখনত নতুনকৈ ২৮৯ জন লোকৰ নতুনকৈ কৰ’নাত আক্ৰান্ত হৈ মৃত্যু হৈছে। ভাৰতত কৰ’নাত আক্ৰান্ত হৈ মুঠ মৃত্যু হোৱা লোকৰ সংখ্যা ৫, ১৪, ৮৭৮ জনলৈ বৃদ্ধি হৈছে। আনহাতে ভাৰতত ৬৩, ৮৭৮ টা সক্ৰিয় ঘটনা আছে।



# Is Patriarchy a pandemic too?

**Pujashree Mahanta**



Patriarchy means a system of state or society where the men hold the power and women are largely excluded from it. The existence of patriarchy in the 21st century is unacceptable on many levels. Patriarchy should have been a thing of the past, but in fact, it has moved across boundaries and borders, and has rightfully claimed to become a global issue. Men and women across the world are victims of patriarchy. Men around the world, feels it is their inherent right to tell women what to do and how to do it and women on the other hand, think it is their responsibility and duty to listen and abide by men. Decades ago, this 'way of living and thinking' was acceptable but today, this whole concept stands futile and obsolete.

Women, today, are educated and are responsible for themselves. Women have shifted their roles from being homemakers to professionals, be it business, job or research. Today's women, will not accept it to be a men's world with a gulp of water. Today's women are not just the spectators of change but are the harbingers of change. Women no longer have limited responsibilities within the four walls of their house, but are coming forward and contributing to the economy. The roles of women in the society are expanding but how far has our mindset expanded?

In India, looking at the population, everything happens a bit aggressively. The atrocities of patriarchy can be traced far back to the Mahabharata, where Draupadi had to surrender herself to God, to be protected against the ills of men, even after she was married to five men and had 100 other men from the family in the same gathering. Draupadi's Chirharan is a classic example of how scary it could get for a woman when men play the dice. As gruesome as it sounds, the tragic practices like female foeticide and female infanticide, are still practiced in many parts of India. In India, the sex determination process has exposed a breeding ground of gender crimes which in-turn has led to its ban and criminalisation. But how far has it eradicated the crime? The recent incident of the Kadam family hospital in Maharashtra, have exposed the involvement of doctors in illegal abortions and foeticides. According to United Nations Population Fund (UNFPA) report, more that 4 crore females are missing from the 2020 demography due to pre- and post-birth sex selection. The worst outcome of sex selection can be seen in the form of demographic imbalance which in turned has led to a peculiar condition called marriage squeeze, where prospective grooms outnumber the prospective brides. If sex education was not considered a taboo in India, science itself would have made it clear, the magnitude of a man's role in determining the child's sex as compared to a woman. But throughout time, the patriarchal institutions have blocked information, so men can continue being at power. Knowledge is power and hence, is often denied.

Being born as a woman, is just the beginning of a lifelong struggle. The extreme bias of daughters in favour of sons, the difference in foundational upbringing based on the gender of a child and the difference in reactional training eventually leads to two separate worlds for men and women. The crimes against women, be it rape, molestation, sexual assault, sexual defamation, eve-teasing, marital rapes, acid attacks, dowry killings, honour killings, domestic violence, etc. have their roots entangled to patriarchy. It comes from the innate feeling that is stitched into a man's mentality, to control women. Times immemorial, women have been treated as second class citizens but today, the question is, is it fair? When the pandemic happened, the world changed. Work culture changed. Work from home became the new normal but had different meanings for men and women. While men could still limit himself

(আঠ পৃষ্ঠাত চাওক)

# বিচিত্ৰ ফাগুন

**বন্দিতা শৰ্মা কন্দলি, দেৰগাঁও**



ৰিঙা ৰিঙা মনেৰে
ধূলিয়ৰী বাটেৰে বাট বুলুতে
এচাটি পছোৱাই মোক
কাণে কাণে ক'লে
বসন্তক আদৰিবলৈ যাবানে ?
শস্য সিঁচাৰ প্ৰথম দিনটোত
গুমৰাগ নাচিবানে ?
পলাশ, মদাৰ, শিমলুৰ
ৰঙা দলিচাৰ বুকুত খোজ থ'বানে....
পলাশে ৰিঙিয়ালে যে
মন মোৰ চঞ্চল হয়....
মই যে ...মায়াবী ফাগুন
নাভাবিবা, মোক কেৱল
চঞ্চলা চপলা বুলি !
শীতৰ নিহালি এৰি
ঘৰমুৱা পৰিভ্ৰমী চৰাইজাকে
বিবস্ত্ৰা বৃক্ষক কৈ গ'ল
ৰঙীন ফাগুন আহিছে
অতি সংগোপনে....
ফাল্গুৎসৱৰ সমন্বয়ৰে
সৃষ্টিৰ মেটমৰা সম্ভাৱনা লৈ
বসন্তক আদৰিবলৈ
আশাৰ এচেৰেঙা
ৰঙীন সপোন হৈ
আহিছে বিচিত্ৰ ফাগুন !

# এনিশাৰ কথাবোৰ

**জ্যোতিময়ী দেৱী, মিছামৰা গোলাঘাট**



নিশব্দ ফাগুনৰ বতাহজাকে
আজি আকৌ মনত পেলাই গ'ল এৰি অহা দিনবোৰ
সেই যে ফাগুন ফুলা দিনত তুমি যে তুলসীৰ মালা পিন্ধি
মোৰ ঘৰলৈ গৈছিলা
কপালত আকিছিলা তেজৰঙী পলাশৰ এটি ৰঙচুৱা বেলি ।
আজি চৰটা বছৰ গৰকিল
সুখে দূখে ।
ফাগুন ফুলা পদূলিত আজি মোৰ এটাই প্ৰাৰ্থনা
অনাগত দিনবোৰো যাতে আমাৰ সুখৰ হওঁক।
এইয়া নেদেখা জনলৈ দুয়োৰে প্ৰাৰ্থনা।

জনতাৰ চৰকাৰ | my GOV मेरी सरकार

# মহিলা সবলীকৰণত অগ্ৰাধিকাৰ

## আইন সংশোধনীৰে সাজু চৰকাৰ

উদ্দেশ্য | প্ৰশাসন তন্ত্ৰত মহিলা প্ৰতিনিধিৰ সক্ৰিয় অংশগ্ৰহণৰ হাৰ বৃদ্ধি



### অসম পৌৰ আইন, ১৯৫৬ ৰ সংশোধনী মৰ্মে

সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত ১০ বছৰৰ মহিলা সংৰক্ষণৰ ম্যাদ নিৰ্ধাৰণ

JANASANYOG- 3743/21

### গুৱাহাটী পৌৰ নিগম আইন, ১৯৬৯ৰ সংশোধনী মৰ্মে

নিগম কাউন্সিলৰৰ প্ৰত্যক্ষ নিৰ্বাচনত মহিলা সংৰক্ষণৰ কাৰ্যকাল ১০ বছৰলৈ বৃদ্ধি



১০ ডিচেম্বৰ, ২০২১ৰ অসম কেবিনেটৰ সিদ্ধান্ত অনুসৰি

পঞ্জীয়ন কৰক assam.mygov.in | /mygovassam

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Follow us /@diprassam https://dipr.assam.gov.in/

# তোমাৰ নামেৰে মোৰ পৰিচয়

**জানমনি বৰুৱা, মিছামৰা**



নীৰৱ বেদনাৰ চকুলোৰে লিখা
এই কবিতা তোমাৰ বাবেই
পঢ়িবানে বাৰু তুমি কবিতাটি
মোৰ নীৰৱ প্ৰেমৰ কথা
আজি মই কৰিছোঁ প্ৰকাশ
তোমাক যে কোবাই নহ'ল
মোৰ আকলুৱা হৃদয়ৰ প্ৰেমৰ পূজাৰী
তোমাৰ মৰমক প্ৰৱঞ্চনা কৰি
আজি ক্লান্ত অনুতপ্ত বিপন্ন মই
তোমাৰ পবিত্ৰ মৰম নেওচি
অন্ধকাৰ জীৱন এটি ল'লো আকোঁৱালি।
নুবুজি তোমাৰ মৰমৰ বেথা।

# লোক পৰিৱেশ্যকলাৰ

এই বাৰে চহৰীয়া ভাওনা দুদিন ধৰি চলে। প্ৰথমদিনা ৰাতিপুৱা পৰা নাম-প্ৰসঙ্গ চলে এই অনুষ্ঠানক একপ্ৰকাৰৰ মংগলাচৰণ অনুষ্ঠান বুলি ক'ব পাৰি । মুল ভাওনা আৰম্ভ হয় ৰাতি ৯ বজাত। যাঠিৰ পৰা আশী হাজাৰ মানুহে উপভোগ কৰা এই বাৰে চহৰীয়া ভাওনা আকৌ প্ৰতি বছৰে অনুষ্ঠিত নহয়। ৫বছৰৰ মুৰে মুৰে এই ভাওনা অনুস্থিত হৈ আহিছে, সেইবাবে দৰ্শকৰ অত ভিৰ।

এই বাৰে চহৰীয়া ভাওনাৰ আৰম্ভনিতে গায়ন-বায়ন আৰু ধেমালিৰ পৰ্বৰে সুচিত হয়। ডবা আৰু বৰকাহ বাজি উঠাৰ লগে লগে যিটো দলে নাট মেলিব সেই দলটিৰ নাটখন এখন ফুলাম গামোচাৰে মেৰিয়াই শৰাইসহ নাটখন নিজৰ খলাৰ আগত লৈ শাৰীপাতি আঠু লৈ সেৱা কৰে যাতে কোনো অপায় অমংগল নোহোৱাকৈ তেওঁলোকে নাট পৰিৱেশন কৰিব পাৰে । শ্লোকৰ ভাঙনি আৰু জোৰনি পৰ্বৰে অগ্নিগড় অতিক্ৰম কৰি মণ্ডপৰ চাৰিওফালে প্ৰদক্ষিণ কৰে আৰু নিজৰ খলাত উপনীত হৈ শাৰী পাতি থিয় হয় আৰু বায়নসকলে মুল ভাওনা আৰম্ভ কৰে । প্ৰতিটো দলে যিহেতু নিজৰ পছন্দৰ পৰা নাট মেলে কিন্তু মূল নাটখন শংকৰদেৱৰ ছয় পৰিসৰৰ নাটৰ পৰাহে নিৰ্বাচিত হয় । ইয়াৰ বাহিৰেও পূৰ্ণ সংলাপ, হাস্য ঠৰংগ প্ৰধান নাটকবোৰহে মঞ্চত পৰিৱেশন কৰা হয় । এনে নাটৰ ভিতৰত দুশাসনৰ ৰক্তপান, খটাসুৰ বধ, অঘাসুৰ বধ, সীতাহৰণ, বালী বধ, গদা পৰ্ব আদি । বাৰে চহৰীয়া ভাওনাত হেজাৰ হেজাৰ মানুহে অংশগ্ৰহণ কৰে যদিও ইয়াত কিন্তু কোনো শব্দ বিবধক যন্ত্ৰৰ ব্যৱহাৰ কৰা নহয় ।

এই ভাওনাত জীয়াই আছে লোক সাধাৰণ । এই ভাওনা জনসাধাৰণৰ বাবে, লোক সাধাৰণৰ বাবে । এই ভাওনা বৰ্তিও আছে সাধাৰণ মানুহৰ বাবেই । ই আধ্যাত্মিক ভাৱ, ভাতৃত্বৰ ভাৱ, একত্ব ভাৱ সৃষ্টি কৰাই এই লোকপৰিৱেশ্যকলা বিধৰ মুল লক্ষ্য । এক জনশ্ৰুতি অনুসৰি এবাৰ হেনো জামুগুৰিহাটত বৰ বেয়াকৈ হাইজা মহামাৰী হৈছিল। বহুত মানুহ মৰাত জামুগুৰিহাটৰ ভকত বৈষ্ণৱ সকলে বাৰে চহৰীয়া ভাওনা পাতি সেৱা আগবঢ়াওৱাত এই হাইজা মহামাৰী সাম কাটে । তেতিয়াৰ পৰাই প্ৰতি পাঁচ বছৰৰ মূৰত এই ভাওনা অনুস্থিত হৈ আহিছে বুলি বিশ্বাস আছে ।

# ঘৰুৱা হিংসা আৰু আমাৰ দেশ

**দেৱীকা বৰপূজাৰী, মুম্বাই**



মই ভাবিছিলো, আমাৰ অসমত বিবাহিতা মহিলাৰ ওপৰত দৈহিক অত্যাচাৰ আন ৰাজ্যৰ তুলনাত কম। পিছে, মোৰ বন্ধু এজনীয়ে এই বিষয়ত survey কৰিবলৈ অসমৰ দুই এখন ঠাইলৈ গৈহে গম পালে, physical abuse নীৰৱে, নিঃশব্দে অসমৰ চুকে কোনেও আছে। মৰিগাঁও, মাজুলী, গোলাঘাট আদি কেইবাখনো ঠাইলৈ যোৱা সেই বন্ধুৱে কেইবাগৰাকী পত্নীৰ পৰা সকলো জানিলে আৰু এটা কথাই সেই পত্নীসকলে জনালে যে - ' সহ্য কৰাৰ বাহিৰে আমাৰ উপায় নাই, কাৰন আমি আৰ্থিক ভাৱে সমৰ্থ নহয়, তদুপৰি মাক বাপেকেও কয়, যেনে হলেও শহুৰৰ ঘৰতে থাকিব লাগিব'। শেহতীয়াকৈ জাতীয় পৰিয়াল স্বাস্থ্য সংস্থা ই এক তদন্ত কৰি ঘৰুৱা হিংসা (domestic violence) ৰ বহু উমান পাইছে। ১৪ খন ৰাজ্যৰ প্ৰায় ৩০ শতাংশ পত্নীয়ে স্বীকাৰ কৰে যে 'নানা কাৰনত স্বামীয়ে মাৰপিট কৰে'। তেলেংগানা ৰাজ্যৰ ৮৪% নাৰীয়ে স্বামীৰ পৰা পোৱা দৈহিক অত্যাচাৰ ' এক সাধাৰণ ঘটনা ' বুলিয়েই ধৰি লয়। সেইদৰে, অন্ধ্ৰ প্ৰদেশতো ৮৪% , কৰ্ণাটকত ৭৭% , কেৰেলাত ৫২% আৰু পশ্চিম বংগত ৪২% ; অসমৰ দৰে বহু ৰাজ্য এই তদন্তত হয়তো

(ন পৃষ্ঠাত চাওক)

# Is Patriarchy a

to office work. For most women, hells fell loose. Women not only had to manage office work but had to look after the children and do household work. It became normal for a woman to sit for a zoom meeting while cooking lunch or dinner while this was never expected out of a man. Women ended up doing 3 times the work as compared to men. During pandemic, the cases of domestic violence and marital rapes, strikingly increased. This emphasises the grim reality of situations that women face, even inside the walls of her own house. Moreover, the pandemic has also pushed many women to forceful marriages.

Patriarchy has even turned women against women. Throughout years, it has fed women with thoughts of insecurities, that women need validation from men. Patriarchy has given rise to the feeling of intimidation and has turned women against each other. Women see each other as mere competitors. It has taught women to pull down other women, so one can be ahead. With time women have lost confidence in their capability and calibre and have started to swear by recommendations and being in good-books. Yes, it requires a fight to be at the top, but it is a fight against our own shortcomings, seldom a fight against each other.

While men often are believed to have escaped the brunt of patriarchy, it is hardly true. Men are double impacted. They are responsible for it and they are also affected by it. The typical notions that position men superior to women, have backfired and forced men to project as someone they are not. The machoism associated with a man, gradually poisons the innocence and warmth of a free mind. When a woman listens to a man, it is considered mannerism, but, the other way round, is often a shame. In a patriarchy, a man is denied certain expression of emotions, so he can continue being the man or the superior. The head of the family image that a man has to carry all the time, often pressurises a man with excessive responsibilities.

Patriarchy is well-knitted in our society and we have to start pulling it out from its roots to get rid of it. It will take years to declare ourselves patriarchy free, but that should not demotivate us. First and foremost, we need to educate our children and send them to schools, irrespective of their gender. Sex education and gender studies should be a part of a normal curriculum. Proper upbringing has proven to play a major role in nurturing a gender-neutral personality. But, to bring about a major change, society and the Government needs to work in close nexus. Schemes like "Beti Bachao, Beti Padhao" can be seen as a welcoming change. Awareness programmes at grassroot levels and proper criminalisation of gender crimes is imperative. For long, women have fought the battle alone but now, it is time to give women what they deserve: equality, dignity and respect. Women are fully functional individuals and we need to stop seeing them through the eyes of patriarchy. They need not be controlled, but loved and accepted. They need no saviours but progressive supporters. Women are equally entitled for dissent and consent. Its high time, we change the narrative and make patriarchy a thing of the past.

# ঘৰুৱা হিংসা আৰু

নাই পৰা।

স্বামীয়ে পত্নীৰ ওপৰত কৰা মাৰ পিত বোৰৰ কাৰন সমূহ বিশেষকৈ- শহুৰ শাহুক নমনা, তৰ্ক কৰা, সুস্বাদু আহাৰ তৈয়াৰ নকৰা, সন্দেহ- আদি যি কোনো এটাৰ বাবেই অতি সহজতে স্বামীয়ে পত্নীৰ ওপৰত হাত তোলা দেখা যায়। তেতিয়াহলে পত্নীয়ে এই অত্যাচাৰ নীৰবে কি কাৰনে সহি থাকে আৰু সেয়া ‘স্বাভাৱিক’ বুলি ধৰি লয় ?

মহিলাৰ সহায় আৰু সুৰক্ষা কেন্দ্ৰ, যি গান্ধীনগৰ আৰু ৰাজস্থানৰ কেইবাটাও পুলিচ ষ্টেচনৰ লগত সংশ্লিষ্ট, তাৰে প্ৰতিস্থাতা ৰেণুকা পামেছাই পোৱা অভিজ্ঞ তাৰে বুজিব পাৰিছে যে, ‘নাৰীয়ে সহ্য কৰি থাকে কিয়নো ইয়াৰ কোনো বিকল্প নাই ’... খুব কম সংখ্যক মহিলাৰহে অৰ্থনৈতিক স্বাধীনতা আৰু সামাজিক সমৰ্থন আছে, আনকি, বহুতে মাক দেউতাকৰ পৰাও কোনো সঁহাৰি নাপায়। সেইবাবেই এই দুৰ্ভগীয়া বিবাহিতা নাৰী সকলে পুলিচৰ ওচৰলৈ গৈ গোচৰ দিবলৈ ভয় কৰে নিজৰ আৰু সন্তানৰ ভৱিষ্যতৰ কথা চিন্তা কৰি।

পামেছাই কয় “যি সকল নাৰী Intimate partner violence (IPV) ৰ দ্বাৰা নিৰ্যাতিত, সেইসকলৰ বাবে সৰুকৈ থকা ঘৰ, পূৰ্ণ সংস্থাপন আৰু স্বাৱলম্বী হব পৰাকৈ কিছু শিক্ষা দিয়া বৰ দৰকাৰ হৈ পৰিছে। মই নিজেই দেখিছো- কোনো ভুক্তভোগী নাৰীয়ে সাহস কৰি পুলিচৰ ওচৰলৈ যায় ; পুলিচে সামান্যও সহানুভূতি দেখুৱাব নোখোজে, পৰিবৰ্তে কয় “তহঁতৰ পতিয়ে মৰমতে যেনিবা এক চৰ লগালেই, তাতেনো কি ইমান ডাঙৰ কথা হ’ল”। পুষ্পা ছাইনি, যিয়ে মৰসাহ কৰি স্বামীৰ অত্যাচাৰৰ বলি নহৈ ওলাই আহিল, তেওঁক আমি পঢ়িবলৈ সুবিধা কৰি দিলো আৰু সময়ত পুষ্পাই ল ডিগ্ৰী লৈ নিজৰ ল’ৰা ছোৱালী দুটা লৈ শান্তিৰে জীৱন নিৰ্বাহ কৰি আছে। কিন্তু এনে ঘটনা বিৰল।

নেইৱিন দাৰুৱালা ই মুম্বাইৰ ধাৰাবি অঞ্চলত এক NGO চলায়, নাম ‘স্নেহা’; যিয়ে ঘৰুৱা হিংসাৰ বলি হোৱা সকলৰ হৈ কাম কৰে। “টকা পইচাই এটা ডাঙৰ সমস্যা, ইয়াৰ মহিলা সকলে স্বামীৰ মাৰ পিত স্বাভাৱিক ঘটনা বুলিয়েই ধৰি লয়, কাৰন ভৰন পোষণ দিছে যেতিয়া মাৰ খোৱাটো বৰ ডাঙৰ কথা নহয়” বুলিয়েই স্নেহা লৈ অহা মহিলাই কয়।

কিন্তু ঘৰুৱা হিংসাৰ বলি হোৱা সকলৰ শাৰীৰিক আৰু মানসিক ভাৰসাম্য ৰক্ষা কৰা অসুবিধা হৈ পৰে। হতাশা, দুঃচিন্তা, সন্তানৰ উপযোগী যত্ন লব নোৱাৰা, নাৰ্ভ আৰু প্ৰসূতি জনিত ৰোগৰ সমস্যাত পৰা দেখা যায়। যদিও The protection of women from domestic violence act ২০০৫ চনতে গৃহীত হৈছিল, পিছে কি হব, নিৰ্যাতিত নাৰী নিজেই আহি গোচৰ দিলেহে এই act কাৰ্যকৰী হব !বেছিভাগেই সমাজ আৰু পৰিয়ালৰ পৰা বেয়াকৈ বঞ্চিত হব বুলি আৰু সন্তানৰ ভৱিষ্যতৰ কথা চিন্তা কৰি আগবাঢ়ি আহি প্ৰতিবাদ কৰিবলৈ সাহ নকৰে। পুলিচ, স্বাস্থ্য কৰ্মী আৰু ন্যায়পালিকা সকলে কিছু পৰিমানে সহানুভূতি দেখুৱাই স্বামীৰ মাৰ কিল খাই থকা মহিলা সকলৰ বাবে কিবা এটা কৰাৰ প্ৰয়োজন হৈ পৰিছে। সমূহীয়াকৈ, সামাজিকভাৱে পুৰুষ সকলক লৈ আলোচনা চক্ৰৰ আয়োজন কৰা আৰু আটাইতকৈ ডাঙৰ কাম হৈছে, মহিলা সকলক বুজনি দিয়া যে-‘সহায় বিচাৰি ওলাই আহিলে বহু সমস্যাৰ সমাধান নোহোৱাকৈ নাথাকে’। নেইৱিনে কয় যে, “ আমি যি এলেকাত কাম কৰি আছো, তাত এইদৰে সমূহীয়া আলোচনা আৰু সকলোকে একগোট কৰি ৰখাৰ মানসিকতাৰ হেতু ঘৰুৱা হিংসা ( domestic violence ) বহুখিনি কমিছে আৰু হিংসাক স্বাভাৱিক বুলি গ্ৰহণ কৰাটোও কমিছে। সামূহিক ভাৱে কৰা কামৰ ফল সদায় ইতিবাচক হয় কিন্তু এতিয়াও বহু দূৰ যাবলৈ বাকী”।

ঘৰুৱা কন্দল যিহেতু ‘ব্যক্তিগত বিষয়’, সেইবাবে ৰাজ্যিক চৰকাৰে এই বিষয়টোৰ ওপৰত নিৰ্বিকাৰ হৈয়েই থাকে, কিন্তু এতিয়া এইটো বুজি পাব লাগে যে, এই ধৰনৰ ঘৰুৱা হিংসা ৰোধ কৰাটো মানৱীয় অধিকাৰ, সামূহিক স্বাস্থ্য আৰু অৰ্থনৈতিক বিষয়।

মহিলা সকলে আত্ম বিশ্বাস ৰাখিব লাগে যে যদি তেওঁলোকে সহায় বিচাৰি পুলিচ বা সামূহিক সংস্থা সমূহলৈ আহে, তেওঁলোকক বিমুখ নকৰে বা ভয়ানক পৰিস্থিতিৰ মাজলৈ পুনৰ ঘূৰাই নপঠায়।

ৰেণুকা পামেছা আৰু নেইৱিন দাৰুৱালাৰ সংস্থা - যি পুলিচ ষ্টেশ্যনৰ লগত সংযোজিত, ঘৰুৱা সংসাৰৰ বলি হোৱা মহিলাৰ হকে কাম কৰি আছে আৰু abuse ৰ গোচৰ দিবলৈ আগবাঢ়ি আহিবলৈ সাহস যোগাই আছে। এনে ধৰণৰ সংস্থা দেশৰ চুকে কোনে হোৱা অতীব প্ৰয়োজন হৈ পৰিছে।

# যুদ্ধৰ দামামা আৰু ইউক্ৰেইনিস্থ অসমৰ বাসিন্দা

**ফখৰুদ্দিন আহমেদ**



অসম তথা আন ৰাজ্যবোৰৰ কিছুমান লোক বিভিন্ন কাৰণত সাম্প্ৰতিক সময়ত যুদ্ধ বিধ্বস্ত ইউক্ৰেইনত আবদ্ধ হৈ আছে। মানব সভ্যতাৰ পৰিক্ৰমা মঙ্গল গ্ৰহ পৰ্যন্ত পোৱাৰ পিছতো কেৱল আন্তঃৰাষ্ট্ৰীয় কু ৰাজনীতিৰ বলি হ’ল ইউক্ৰেইন । প্ৰাকৃতিক সম্পদৰ ভাণ্ডাৰ আৰু পৰিশ্ৰমী ইউক্ৰেইনবাসীৰ বাবে ইং ১৯৯১ চনত চোভিয়েট ইউনিয়নৰ পৰা স্বাধীনতা লাভ কৰা এই দেশ খন চোভিয়েট ৰাছিয়াৰ লোলুপ দৃষ্টিৰ পৰা হাত সাৰিব নোৱাৰিলে। যুদ্ধ আৰম্ভ হোৱাৰ পূৰ্বৰ সময়লৈকে ৰাছিয়াৰ দুই শক্তিশালী বিৰোধী আমেৰিকা আৰু ফ্ৰান্স নিৰবে আছিল। আমেৰিকাৰ প্ৰৰোচনাত পৰি ইউক্ৰেইনে বিচাৰিছিল নাটোৰ সদস্য পদ। যিটো কাৰ্যৰ বাবেই সম্প্ৰতি দেশখনত যুদ্ধৰ দামামা বাজি আছে। ইচ্ছা কৰিলে বিশ্বৰ শক্তিধৰ দেশ সমূহে, নাটো আৰু ৰাষ্ট্ৰ সংঘই হস্তক্ষেপ কৰি আলোচনা-বিলোচনাৰ মাজেৰে যুদ্ধ খন সংঘটিত নোহোৱাকৈ ৰাখিব পাৰিলেহেতেন বুলি ভাবিবৰ বহু থল থাকি গৈছে। অৱশ্যে বিশ্বক শাসন কৰিবলৈ নিজকে মহা শক্তিশালী বুলি প্ৰমাণ কৰিবলৈ এনে এখন সমগ্ৰ বিশ্ববাসীৰ বাবে অনাকাংখিত যুদ্ধৰ প্ৰয়োজন বহু দেশৰ বাবে প্ৰয়োজনীয় হৈ আছিল। বিভিন্ন খবৰৰ মাধ্যমত বিয়পি পৰিছে যে ফ্ৰান্স আৰু আমেৰিকাই ইউক্ৰেইনৰ পক্ষ ল’বলৈ বদ্ধ পৰিকৰ হৈছে। যদিহে এনে হৈছে তেন্তে বিশ্ববাসীয়ে তৃতীয় বিশ্বযুদ্ধ দেখিবলৈ পোৱাটো নিশ্চিত হৈছে। তৃতীয় বিশ্বযুদ্ধখনি সংঘটিত হ’লেহে বিশ্বক পৰোক্ষ ভাৱে শাসন কৰা এখন দেশ ওলাবগৈ পাৰিব। এনে যুদ্ধময় পৰিৱেশত প্ৰায় দুই দশকৰ পিছত পাকিস্তানৰ প্ৰধানমন্ত্ৰী ইমৰান খান ৰাছিয়াত উপস্থিত হোৱাৰ ঘটনাই বিশেষকৈ আন্তঃৰাষ্ট্ৰীয় কু ৰাজনীতিৰ কথাকেই প্ৰতিপন্ন কৰিছে।

# দেশত বাজিছে বাৰুদৰ গান

**জয়ন্ত প্ৰকাশ কলিতা**



বাজিছে দেশত বাৰুদৰ গান
এখন এখন চহৰ হব ধৰিছে
দীঘল বুৰঞ্জীৰ এখিলা পাত।
বৈছে বমাৰ বৃষ্টিত তেজৰ নৈ
জ্বলিছে শাসন যন্ত্ৰত ৰঙা চাকি।
নিষ্পালীত জনতাৰ হাঁহি
কুশ্ৰী বন্দুকৰ গৰজনীত
কপিছে নেপোলিয়নৰ সমাধী।
উঠিছে সাগৰত হেন্দোলনী।
ৰাছিয়াৰ অশ্লীল গালিৰ
জোৱাৰত ডুবিল ক্লান্ত জনতা।
ৰাছিয়াৰ অশ্লীল উপহাৰত
পাগল হৈ ধীৰ্ণ-শীৰ্ণ হৈছে
চহৰৰ এটা এটা অপ্তালিকা।
যুদ্ধৰ পথাৰত নাই ৰজা
আছে চহীদ হবলৈ যোৱা প্ৰজা।
যুদ্ধ জয় কৰা ৰজাৰ গৌৰৱ।
আৰু প্ৰজাক চহীদৰ সন্মান।
বাজিছে দেশত বাৰুদৰ গান
ইউক্ৰেন দেশৰ উকা আকাশত
উৰি ফুৰিছে এতিয়া ৰাছিয়াৰ মান।
ইউক্ৰেন দেশৰ বজাৰত বিক্ৰী
এতিয়া কেঁচা তেজৰ টোপোলা।
আৰু আমেৰিকাৰ গুদামত
ভৰ্তি শুকান বাৰুদৰ মছলা।
উৰি থকা পতকাৰ তলত
মৌন প্ৰজাৰ গেলা মৃত্যুক সন্মান।

# মোৰ ফাগুন

**স্বাগতা বৰুৱা গোস্বামী**



মোৰ উদং পথাৰৰ সঞ্জীৱনী
তুমি শিমলু
কোনে কয় মই লঠঙা বুলি
তুমিয়েইটো সিঁচি দিছিলা হেপাহৰ ফুলবোৰ
সেন্দুৰ সনা দিনবোৰত
শৰা পাতৰ খচখচনিয়ে
আবিৰৰ ৰঙা, নীলা ৰঙবোৰে
হৃদয়ত ৰঙীন সপোন ৰছো
কেৱল তোমাৰ বাবেই...
আজি মই মায়াবী
তোমাৰ ৰঙা মদিৰাৰ নিচাত
আজি মই আউলী
তোমাৰ বা ত
আজি মই বলিয়া
তোমাৰ প্ৰেমত
আজি মই ধুসৰিত
তোমাৰ পৰশত
আজি মই চঞ্চল
তোমাৰ যৌৱনত
আজি মই সৃষ্টি
তোমাৰ মৰমত
আজি মই ক্লান্ত পক্ষী
তোমাৰ হৃদয়ৰ মণিকোঠাত
অপেক্ষাৰে বাট চাম
চিৰদিনৰ চিৰকাল...

# দুঃসময়

**প্ৰবীন শৰ্মা(প্ৰবক্তা), কছাৰীহাট, গোলাঘাট**



আন্ধাৰবোৰ পিছফালৰ পকেটত ভৰাই গৈ থাকোঁ.....
আগলৈ
জেপলুৰুকাই নিয়ে যদি নিয়ক
মোৰ দুখৰ সাঁচতীয়া ভৱিষ্যত
বাৰিষা চট হেৰুওৱা উত্তাল নৈ খনক সোধো জানো
মৃত্যু কোনফালে ?
এতিয়া ভয় নুখুৱাবা
বহু আগতেই গম পালো শিলবোৰ পানী হোৱাৰ নজিৰ নথকাৰ কথা...
তথাপি পানীয়ে শিল উটুৱাই নিয়া দেখিছোঁ
তেনেকৈয়ে গৈ থাক ভাই
লুটি বাগৰ সলাই এৰুৱাই ল
কৌটি-কলীয়া শেলুৱৈ ধৰা জীৱনৰ ৰং....
মৃত্যু এতিয়া ছিৰিয়াচ নাটকৰ গৌণ চৰিত্ৰ
নেৰানেপেৰা সংঘাতৰ মূল কাহিনী
তই কৰিবিনো কি?
জীৱন কঢ়াটো কোন সভ্যতাৰ শিল্প
তাকেই নজনাৰ দুখত তই
কমেডি নাটকৰ ট্ৰেজিক প্ৰটাগনিষ্ট.....
আন্ধাৰবোৰ পকেট ফাটি ওলাই যাওঁক
পিছলৈ নাচাবা
চোৱাটো নিয়মো নহয়
ভালকৈ চালে দেখিবা পোহৰ আগফালৰ পৰাহে আহে,
আহিব, আনিব লাগিব.......।

# যুদ্ধৰ দামামা আৰু ইউক্ৰেইনিস্থ

ইউক্ৰেইন আৰু ৰাছিয়াৰ মাজৰ যুদ্ধই ইউক্ৰেইনিয়ান সকলে স্বদেশপ্ৰেমৰ বাৰ্তা বিশ্বক বাৰুকৈয়ে জনাবলৈ সমৰ্থ হৈছে। ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি গৰাকীয়ে এই যুদ্ধত অৱশ্যাম্ভাৱী পৰাজয়ৰ চিত্ৰ দেখা পোৱাৰ পিছতো সমূখৰ পৰা দেশৰ বাবে দুহাতত আগ্নেয়াস্ত্ৰ তুলি লৈ বিৰল নেতৃত্বৰ চানেকী চিৰ যুগমীয়া কৰিবলৈ সক্ষম হৈছে। শান্তিকামী বিশ্ববাসীয়ে কোনো কাৰণতে অসহায়, নিৰস্ত্ৰ সাধাৰণ নাগৰিকৰ হত্যালীলা সংঘটিত হোৱা যুদ্ধ প্ৰত্যক্ষ কৰিবলৈ অন্তকৰণেৰে নিবিচাৰে। যুদ্ধত সদায় নিৰপৰাধী জনতা মৃত্যু মুখত পৰে। এনে সংশয়াত্মক যুদ্ধৰ পৰিৱেশত বিশেষকৈ আমাৰ অসমৰ পৰা ইউক্ৰেইনলৈ গৈ বিভিন্ন কামত নিয়োজিত অসমীয়া লোক সকলৰ কিছু সংখ্যক স্বদেশলৈ উভতি আহিছে চৰকাৰী তৎপৰতাত। তাত থকা ভাৰতৰ বৈদেশিক পৰিক্ৰমা দপ্তৰে এই ক্ষেত্ৰত এই লোক সকলৰ লগত অহৰ্নিশে যোগাযোগ অব্যাহত ৰাখিছে। অৱশ্যে স্বদেশলৈ উভতি আহিবলৈ সক্ষম হোৱা অসমৰ লোক সকলৰ বেছি ভাগেই কিন্তু চলি থকা যুদ্ধ খনৰ বিশেষ প্ৰভাৱ নপৰা অংশ বিশেষৰহে বুলি জানিব পৰা গৈছে। চোভিয়েট ৰাছিয়াৰ সীমামূৰীয়া সম্পুৰ্ন এশ শতাংশ যুদ্ধ বিধ্বস্ত অঞ্চলবোৰত বন্দীত্বৰ জীৱন কটোৱা শিক্ষাৰ্থী নাইবা আন কৰ্মত নিয়োজিত লোক সকলে কিন্তু সংশয় আৰু অনিশ্চয়তাৰে দিন কটাই আছে বুলি প্ৰচাৰিত হৈছে। এনে মুহূৰ্তত প্ৰাণৰ মমতাত ভাৰত চৰকাৰলৈ এই সকল শিক্ষাৰ্থী আৰু লোকক স্বদেশলৈ ওভতাই অনাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিবলৈ চ'চিয়েল মেডিয়াৰ বিভিন্ন মাধ্যমত “লাইভ”যোগে ইতিমধ্যে অনুৰোধ জনাইছে। পিছে অসমৰ এচামে এই লোক সকলক উদ্দেশ্যি বিভিন্ন ধৰণৰ কটু মন্তব্য ভুক্তভোগী সকলে প্ৰত্যক্ষ কৰি পুনৰ “লাইভ” যোগে এনে গৰ্হিত কামৰ বাবে দুখ প্ৰকাশ কৰিবলগাৰ পৰিস্থিতি হৈছে। সাধাৰণতে যুদ্ধতহে মানবতাবোধ হেৰাই যায় বুলি কোৱা হয় যদিও যুদ্ধকালিন অবস্থাত সহায় বিচৰা স্বদেশৰ স্বজাতিৰ অসহায় অবস্থাক ভেঙুচালি প্ৰদৰ্শন কৰা সকলৰ স্বদেশপ্ৰেম আৰু জাতীয়তাবোধ তিলমাত্ৰও যে নাই সেয়া বেলিৰ পোহৰৰ দৰেই সত্য। যুদ্ধখন বন্ধ কৰিব লাগে সেয়া সঠিক কথা। কিন্তু ভাৰত চৰকাৰে এনে বিবাদমান বিষয়ত লিপ্ত হোৱাৰ পূৰ্বে ইউক্ৰেইনত থকা অসমৰ তথা ভাৰতৰ লোক সকলৰ নিৰাপত্তা আৰু স্বদেশলৈ তৎপৰতা সহকাৰে নিৰ্বিঘ্নে ওভতাই অনাহে সাম্প্ৰতিক সময়ৰ একমাত্ৰ প্ৰত্যাহ্বান হৈ থিয় দিছে। অসম চৰকাৰ আৰু ভাৰত চৰকাৰে এই ক্ষেত্ৰত দেশৰ জনতাৰ এই প্ৰধান সমস্যাটিক অগ্ৰাধিৰ দিব বুলি গভীৰ ভাবে অসম তথা ভাৰতবাসীয়ে আগ্ৰহেৰে বাট চাই আছে।

# আৱেগিক বুদ্ধিমত্তা

**পুলিন ডেকা**

মানুহৰ কৰ্ম আৰু যুক্তিক সৰ্বাত্মকভাৱে প্ৰভাৱিত কৰা বিষয়টো হৈছে আৱেগ। আৱেগক স্বনিয়ন্ত্ৰত কৰাটো অতিশয় জটিল আৰু মনস্তাত্বিক বিষয়। মন আৰু মগজুক সংযোগ সাধনেৰে সুগভীৰ চিন্তাক প্ৰসাৰিত কৰাৰ দিশত আৱেগে বহুলাংশে প্ৰভাৱিত কৰে। ব্যক্তি আৰু সামাজিক আৱেগ দুটা সুকীয়া বিষয়। কিন্তু এই দুয়োটা বিষয়ত আৱেগে যেতিয়া স্বনিয়ন্ত্ৰণৰ ক্ষমতা হেৰুৱায় তেতিয়াই নেতিবাচক প্ৰভাৱবোৰে আত্মপ্ৰকাশ কৰে। আৱেগ কৰ্মৰ সৈতে সংযুক্ত। ইয়ে এগৰাকী ব্যক্তিৰ চৰিত্ৰ, কৰ্ম চেতনাক প্ৰকাশমুখী কৰি তোলে। আধুনিক জীৱন আজি চিত্ত চঞ্চল। চৌপাশে প্ৰতিযোগিতামুখী পৰিৱেশ। নিজকে সৰ্বোচ্চভাৱে উজাৰি দিয়াৰ বাবে যিবোৰ কৰ্মত জড়িত হ'বলগীয়া হৈছে, তাৰ সৰহভাগ কৰ্মই মানুহৰ মনন জগতক স্পৰ্শ কৰিব নোৱৰা বাবেই হতাশাই আচ্ছন্ন কৰিছে। যিবোৰ কৰ্মত চিন্তা আৰু ভৱিষ্যমুখী স্বপ্নক মূল প্ৰৱাহলৈ ৰূপান্তৰিত সাধন কৰিব পৰা নাযায়, তেনে দিশত সফলতাৰ দিশলৈ ধাৱমান হোৱাটো সম্ভৱ নহয়। কাৰণ সমাজৰ সৰহভাগ মানুহে আৱেগৰ বশৱৰ্তী হৈ জীৱনৰ পথত আগুৱাই যাব বিচাৰে। প্ৰতিগৰাকী ব্যক্তিয়ে সুস্থ আৰু সৰল জীৱন দৰ্শন গঢ়িবলৈ হ'লে, আৱেগতকৈ বিবেকে সৰ্বাধিক গুৰুত্ব প্ৰদান কৰিবই লাগিব। কিন্তু এই আৱেগ নিয়ন্ত্ৰিত কৰাটো সম্ভৱ নে?



যিসকল ব্যক্তিয়ে জীৱনৰ বাটত সাফল্যৰ শিখৰত আহৰণ কৰিবলৈ সক্ষম হৈছে, সেইসকল ব্যক্তিৰ মানসিক অভিব্যক্তিয়ে তেওঁলোকৰ কৰ্মত প্ৰত্যক্ষভাৱে প্ৰভাৱিত কৰে। তেওঁলোকে আৱেগতকৈ যুক্তি আৰু বিবেক অধিক প্ৰাধান্য দিয়াৰ বাবেই নিজস্ব স্বপ্নক সাৰ্থক কৰিবলৈ সক্ষম হৈছে। এয়া হৈছে আবেগিক বুদ্ধিমত্তাৰ প্ৰকাশ। উপলব্ধিৰ ক্ষমতা, সমস্যাক বুজা আৰু জীৱন ব্যৱস্থাপনা সম্পৰ্কত জ্ঞানৰ পৰিশীলিত ৰূপ আহৰণ কৰিব পৰাটোৱে হৈছে জীৱনৰ কলা। আৱেগক যেতিয়ালৈকে মনটোৱে পৰিচালিত কৰাৰ ক্ষমতা আহৰণ কৰিব নোৱাৰে, তেতিয়ালৈকে মানুহে জীৱনৰ প্ৰকৃত অৰ্থ উপলব্ধি কৰিব নোৱাৰে। আৱেগিক বুদ্ধিমত্তা এনে এক বিষয় যাৰ সৈতে নিজৰ আৱেগক স্বীকৃতি দিব পৰা ক্ষমতাৰ বিষয়টো জড়িত। আৱেগিক তথ্যবোৰে চিন্তা আৰু আচৰণক পৰিচালিত কৰে, বিভিন্ন চিন্তাক একত্ৰীতকৰণ কৰে আৰু ইয়ে মানসিক জগতখনত আৱেগিক পাৰিপাৰ্শ্বিকতাৰ সূচনা কৰে। জীৱনৰ ভিন্নমুখী ক্ষেত্ৰক সফলতালৈ নিয়াৰ দিশত আৱেগিক বুদ্ধিমত্তাই প্ৰত্যক্ষভাৱে প্ৰভাৱিত কৰিব পাৰে। অভ্যন্তৰীণ অনুপ্ৰেৰণা, আত্ম সচেতনতা, মনঃঅনুকূলতা, সামাজিক দক্ষতা আৰু আত্মআইন গঢ়ি তোলাৰ দিশত আৱেগিক বুদ্ধিমত্তাই গতিশীল ভূমিকা গ্ৰহণ কৰে। প্ৰতিগৰাকী ব্যক্তিৰ অনুভৱ সুকীয়া। জীৱনৰ ভিন্নমুখী বাতাবৰণত লাভ কৰা অভিজ্ঞতা সুকীয়া। সেইবাবেই মানুহে নিজৰ মূল্যবোধৰ প্ৰকাশৰ জৰিয়তে জীয়াই থকাৰ ক্ষমতা আহৰণ কৰিব লাগে। আনৰ দ্বাৰা প্ৰভাৱিত নোহোৱাকৈ মানুহে নিজৰ যুক্তি আধাৰিত বিচাৰ-বিবেচনাৰ ক্ষমতা আৰু অধিকাৰ ভোগ কৰিব পৰাটো হৈছে জীৱনৰ সাৰ্বভৌমত্ব। এজন ব্যক্তি কোন পৰ্যায়ত আছে, তেওঁৰ লগত কোন আছে, চৌপাশে কেনে ধৰণৰ ঘটনা

(বাৰ পৃষ্ঠাত চাওক)

# ENGLISH NEWS SECTION

## Governor attends 22nd convocation of Assam Agricultural University NE holds potential to usher in an evergreen revolution through organic food production: Prof. Mukhi

**Guwahati RB News:** Assam Governor Prof. Jagdish Mukhi attended the 22nd Convocation of Assam Agricultural University held today at the University campus in Jorhat today which witnessed conferring of degrees upon 1601 students. Governor Prof. Jagdish Mukhi who is also the Chancellor of the University while addressing the graduates said, “The success of education lies with the fact that its fruits remain attached with the root of the society so that they can guide our society to righteousness. The progress of any society in terms of economic upgradation, educational enlightenment, and better lifestyle should not mean that we get detached from our roots”. He, therefore, urged upon Assam Agricultural University to be at the fore-front to use education as the tool for social empowerment. With regard to agriculture sector, where growing tendency was witnessed among the youth to shift from agriculture to service sector, the Governor said that Assam Agricultural University should take the responsibility to transform agriculture sector into a highly attractive one. He said, “One needs service sector, but what would happen if adequate production of food grain does not happen. If we don’t produce enough to feed, what will happen to us? Therefore, it is our prime duty to transform the agriculture sector into a highly attractive one. I am happy that the ICAR has started working in this direction and has come up with the project – ARYA (Attracting and retaining youth in agriculture), which tries to ensure Production, Profitability and Permanency”. The Governor said that



that Assam Agricultural University will have to come up with an industrial model for the students to remain in agriculture so that they become job providers and not job seekers.” Hailing the mission of Prime Minister Narendra Modi who has assumed the responsibility to double the income of the farmers of the country, the Governor said that the country’s agriculture sector has been contributing very significantly to the process of nation-building. The achievements of agriculture during the COVID 19 pandemic were also very extraordinary. He also said that Central Government took several bold steps to support the farmers of the country in recent times including farm credits. The highly ambitious project under the name “Pradhan Mantri Kisan Samman Nidhi (PM-KISAN)” is proving to be a game changer. The government has transferred more than Rs. 1 lakh crore under this scheme so far. The Governor further said that recently India added a feather to its cap of scientific achievement. In the field of agro-technology, recently there has been a big jump in the form of introduction of nano-urea by IFFCO for general use in the farm fields. The innovation has showcased the nation’s ability to develop and produce agri-inputs locally under “Atmanirvar Bharat” and “Atmanirvar Krishi”. Governor further said that Assam Agricultural University has to play a strong role to address the emerging and upcoming challenges confronting the agriculture sector. This university has to travel that extra mile to meet the avowed objective of doubling farmers’ income. The North Eastern Region holds the hidden opportunity to even triple the food production and usher in an evergreen revolution through the organic mode of food production. The Mission Organic Value Chain Development for North Eastern Region, a submission under National Mission for Sustainable Agriculture (NMSA) is already in place to push this objective. Prof. Mukhi also called upon the graduates and asked them to utilize their mental energies and physical fitness and work for social transformation. He also appealed them to be more focussed with their goals, resolute with their ideas and be committed to their mission. The Convocation was attended by Agriculture Minister Atul Bora, MP Kamakhya Prasad Tasa, MP Tapan Kumar Gogoi, Vice Chancellor Assam Women’s University Prof. Ajanta Borgohain Rajkonwar, Vice-Chancellor of Assam Agricultural University Dr. Bidyut C. Deka, Padma Shri Dr. Kushal Konwar Sarma, Deans, Heads of Departments and Centres and faculty members. Secretary, Department of Agricultural Research and Education & Director General ICAR Dr. Trilochan Mohapatra was also present virtually.

## Patowary attends ASSOCHAM’s 5 th edition of ‘Emerging North-East 2022’

**Guwahati RB News:** Industries and Commerce Minister Chandra Mohan Patowary attended the 5 th edition of ASSOCHAM’s ‘Emerging North-East – 2022’ at Maniram Dewan Trade Centre today. Speaking on the occasion, Industry Minister Patowary called upon the industrialists to invest in Assam by availing the opportunities offered by policies and schemes of the Department. ‘Assam has enjoyed a rich historical status of being an industrious state by dint of its tea, oil and coal industry. It also used to have a multi-modal connectivity network. But post-Independence situation resulting in partition disrupted the vibrant trade routes.’ Thanking Prime Minister Narendra Modi for his thrust and initiative in positioning Assam as the gateway to ASEAN, he said, ‘Assam is now seen as the ideal staging point for doing business with the ASEAN and Bhutan, Bangladesh and Myanmar.’ The Minister stated that development in infrastructure and connectivity sectors is a must for industrial growth of a region. In this context, he referred to the new terminal at Guwahati Airport,




Multi Modal Logistic Park, Jogighopa and other initiatives of the government for development of railways and waterways to make Assam the preferred destination for businessmen and investors. Patowary further asked the banks to extend support in financing the entrepreneurs in the micro and small enterprises. He also asked the industrialists to set up EV manufacturing units and avail the benefits of the state's EV policy. The minister assured full support and cooperation to all the industrialists interested for setting up of business establishments in the state. Patowary also inaugurated an exhibition and interacted with industrialists present in the programme. Dr. KK Dwivedi, Principal Secretary, Industries and Commerce; PVSLN Murty, CMD, NEDFi; RS Ramesh, CGM, SBI; Pradeep Shrivastava, Executive Vice-President, YES Bank; Vinit Kumar, Chairman, Shyama Prasad Mookerjee Port Trust and Mahendra K Agarwal, Chairman, ASSOCHAM were present in the meeting.

## Science Day observed by Pragjyotish College students

**Guwahati RB News:** On the occasion of the National Science Day, the 5th-semester honours students of the Chemistry Department, Pragjyotish College, under the departmental forum ‘Dhatu’, demonstrated different interesting and adventurous chemical experiments among the school students of Kaliram Barua Girls’ High School, Bharalu mukh. This was stated in a press release. National Science Day (NSD) is celebrated every year on February 28 to honour the discov ery of the Raman Effect by Sir Chandrasekhara Venkata Raman. The main aim of the celebration is to share the importance of science and inculcate scientific temperament among the students through quizzes, lectures, competitions and by conducting experiments. Students of the Department of Chemistry, Pragjyotish College celebrate the NSD every year by doing different activities on the college campus. This year the forum decided to visit a nearby school to show some magical chemical experiments. The same was performed with the prior permission of the Headmistress of Kaliram Barua Girls’ High School at Bharalumukh. The college students showed some experi ments from their text books and explained concepts like acid-base, redox reactions, precipi tation reactions, science in everyday life, etc. School students also got some hands-on training during the event, the release added.

E-mail us-
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

**Rongili Barta**

GUWAHATI—781025

২১ ফাগুন, ১৪২৭ চন Rongili Barta, Date of Publication-- 6 March, 2022

# আৱেগিক বুদ্ধিমত্তা

সংঘটিত হৈছে, তেনেবোৰ বিষয়ে মানুহৰ সামগ্ৰিক সত্তাক প্ৰভাৱিত কৰিব নোৱৰাটোৱে হৈছে আবেগিক সাৰ্বভৌমত্ব। মানুহে নিজৰ যি আৱেগিক অভিজ্ঞ তা আহৰণ কৰে তাৰ জৰিয়তে সৃষ্টি আৰু জীৱন ব্যৱস্থাপনা এটি শুদ্ধ ৰূপত গঢ়ি তুলিব পৰাটোৱে হৈছে স্বনিয়ন্ত্ৰণৰ গুৰুত্বপূৰ্ণ বিষয়। আবেগিক বুদ্ধিমত্তাক জাগ্ৰত কৰিব পৰা ব্যক্তিয়ে নিজৰ শক্তি, সামৰ্থ্যাতাক বিকশাই তুলি বহনক্ষম আৰু অৰ্থপূৰ্ণ জীৱনৰ দিশত পৰিৱৰ্তন সম্ভৱ কৰি তুলিব পাৰে। মানুহে মানুহৰ বিষয়ে অবগত হয় কৰ্ম আৰু ব্যক্তি জীৱনৰ জৰিয়তে। আশাবাদৰ সন্ধান কৰিব নোৱৰা বাবেই মানুহে সমস্যাৰ পৰা পলায়ন কৰে। আৱেগক নিয়ন্ত্ৰিত কৰিব নোৱৰা বাবেই মানুহে কঠিন পৰিস্থিতিত দিশহাৰা হৈ পৰে। যিসকলে আৱেগক নিয়ন্ত্ৰণ কৰিব পাৰে, তেওঁলোকে কঠিন সময়তো সমস্যাৰ গভীৰতালৈ গৈ সমাহিতভাৱে তাৰ সমাধান কৰিব পাৰে। নিজৰ অভ্যন্তৰক সাধুতাৰে চাব পাৰিলে সঠিক সিদ্ধান্ত লোৱাটো সম্ভৱ হৈ পৰে। প্ৰতিগৰাকী ব্যক্তিৰে আৱেগিক বুদ্ধিমত্তাৰে পৰিচালিত হোৱাৰ ক্ষমতা থাকে। নিজৰ ভিতৰখন জুকিয়াই চোৱাৰ ক্ষমতা প্ৰতিগৰাকী ব্যক্তিৰে আছে। বহু মানুহে বিশ্বাস কৰে যে পেছাদাৰিত্ব সফলতা আৰু প্ৰযুক্তিগত দিশত আগুৱাই যোৱাৰ বাবে আৱেগিক বুদ্ধিমত্তাৰ প্ৰয়োজন। মানুহৰ ব্যক্তিত্বৰ যিদৰে সুকীয়া পৰিচয় থাকে, ঠিক একেদৰে প্ৰয়োজনীয়তাও সুকীয়া হয়। তেনেদৰে মানুহৰ আৱেগিক প্ৰক্ৰিয়াটো সুকীয়া ধৰণে আগবাঢ়ে। সেইবাবেই মানুহৰ জীৱনত আবেগিক বুদ্ধিমত্তাৰ অতিশয় প্ৰয়োজন। ডেনিয়েল গলমেনে আৱেগিক বুদ্ধিমত্তাৰ সম্পৰ্কত কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় দেখুৱাই দিছে। যিসকল ব্যক্তি আৱেগিক বুদ্ধিমত্তাৰে জীৱনটো পৰিচালিত কৰে তেওঁলোক আত্ম সচেতন। তেওঁলোকে নিজৰ আৱেগক বুজি পায় আৰু আনৰ দ্বাৰা নিয়ন্ত্ৰিত হ'বলৈ নিদিয়ে। তেওঁলোক আত্মবিশ্বাসী। নিজে আগুৱাই যোৱা ধাৰণাৰ ওপৰত প্ৰগাঢ় বিশ্বাস আছে। নিজৰ দুৰ্বলতা আৰু সবলতা সম্পৰ্কত জ্ঞাত হয় আৰু যিবোৰ দিশত পাৰদৰ্শিকতা দেখুওৱাৰ পূৰ্ণ সম্ভাৱনা থাকে তেনেবোৰ দিশেৰে আগুৱাই যায়। যিসকল ব্যক্তিয়ে আত্মঅনুশাসন মানি চলিব পাৰে, তেওঁলোকে খং অথবা ঈৰ্ষাৰ বলি হ'বলগীয়া নহয়। আৱেগৰ জৰিয়তে তেওঁলোকে সিদ্ধান্ত ল'ব নিবিচাৰে। যিকোনো কৰ্ম কৰাৰ আগতে খুব গভীৰতালৈ গৈ তাক পৰ্যালোচনা কৰে। আৱেগিক বুদ্ধিমত্তাৰে কাম কৰিব বিচৰা ব্যক্তিয়ে অনুপ্ৰেৰণাৰ উৎস হ'ব বিচাৰে। তাৎক্ষণিক ফলৰ পৰিৱৰ্তে দীৰ্ঘকালীন সময়ত সফলতা বিচাৰে। এইসকল ব্যক্তিয়ে উৎপাদনশীলতাত গুৰুত্ব দিয়াই নহয়, প্ৰত্যাহ্বানৰ মুখামুখি হোৱাৰ সাহস থাকে। অনুভূতিশীলতা অবিহনে এগৰাকী ব্যক্তিয়ে আবেগিক বুদ্ধিমত্তাক শক্তিশালী কৰিব নোৱাৰে। আনৰ অনুভূতিক স্বীকৃতি দিব পৰাটো হৈছে জীৱনৰ অন্যতম কলা। ইয়ে মানবীয় সম্পৰ্কৰ্ক প্ৰগাঢ় কৰি তোলে। অতি উচ্চ আবেগিক দক্ষতা অবিহনে আবেগিক বুদ্ধিমত্তা বিকশাই তোলাটো সম্ভৱ নহয়। সামাজিক নেতৃত্ব প্ৰদান কৰিব লাগিলে এনে ক্ষমতা আহৰণ কৰিবই লাগিব। কৰ্ম আৰু অনুভৱৰ সম্পৰ্কত সচেতন হ'ব নোৱাৰিলে আৱেগিক বুদ্ধিমত্তাক বিশাই তুলিব পৰা নাযায়। আমি নিজৰ লগতে আনৰ অনুভৱক বুজিবলৈ প্ৰয়াস কৰা উচিত। নিজৰ আৱেগক যিদৰে স্বীকৃতি, বুজাবুজি আৰু নিয়ন্ত্ৰণৰ প্ৰয়োজন ঠিক একেদৰে আনৰ আৱেগক স্বীকৃতি, বুজিবলৈ প্ৰয়াস কৰাৰ লগতে প্ৰভাৱিত কৰাৰ ক্ষমতাও আহৰণ কৰিব লাগিব। আৱেগ যিহেতু ব্যৱহাৰৰ দ্বাৰা প্ৰকাশিত, সেইবাবে কৰ্মত তাৰ ইতিবাচক অথবা নেতিবাচক দিশ উদ্ভাসিত হোৱাটো নিতান্তই স্বাভাৱিক। আবেগে আমাক চিন্তা কৰিবলৈ সুযোগ দিয়ে, মানুহক সিদ্ধান্ত গ্ৰহণৰ ক্ষমতা দিয়ে আৰু নিজৰ দক্ষতা প্ৰকাশৰো সুযোগ দিয়ে। সেইবাবে আৱেগক বুজা আৰু পৰিচালিত কৰাৰ ক্ষমতা আহৰণ কৰিব পাৰিলে ব্যক্তি আৰু পেছাদাৰিত্ব জীৱনত সফলতা কঢ়িয়াই অনাটো উজু হৈ পৰে।

## Beauty of the Week



SWEETA MISRA

**#Beauty of the Week, #Art of the Week**
**আৰু # Photography of the Week লৈ**
**আপোনালোকৰ ফটোবোৰ আমালৈ E-mail যোগে প্ৰেৰণ কৰক**
**E-mail-**
**rongilibartamedhi@gmail.com**
**Whatsapp - 9854215286**

## Art of the Week



Nikita Medhi

## Photography of the Week



Amal Deka

ৰঙিলী বাৰ্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286